

# চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰ

# কবিতা আৰু চন্দ্ৰকুমাৰৰ কবিতা

জীবনানন্দ দাশে কৈছিল, "সকলই কবি নয়। কেউ কেউ কবি, কবি কেননা তাদের হৃদয়ে কল্পনাৰ এবং কল্পনাৰ ভিতৰে চিন্তা ও অভিজ্ঞতাৰ স্বতন্ত্ৰ সাৰবত্তা ৰয়েছে এবং তাদেৰ পশ্চাতে অনেক বিগত শতাব্দী ধৰে তাদেৰ সংগে সংগে আধুনিক জগতেৰ নব নব কাব্য-বিকীৰণ তাদেৰ সাহায্য কৰছে।" (কবিতাৰ কথা-পৃ. ১)

হৃদয়ৰ কল্পনা চিন্তা আৰু অভিজ্ঞতাৰ সাৰবত্তা, ঐতিহ্যৰ প্ৰৱাহ আৰু সমকালীন কাব্য-ধাৰাৰ সাঁচ এই আটাইকেওটিৰ এক অদৃশ্য, সৃষ্টিশীল সমন্বয়ৰ সুষম প্ৰতিফলনৰ মাজেদিয়েই একো একোজন কবিৰ স্বকীয় কবি-ব্যক্তিত্ব আৰু কাব্য-প্ৰতিভাই প্ৰকাশ লাভ কৰে। কবিৰ এই ব্যক্তিত্ব আৰু প্ৰতিভাৰ প্ৰকাশৰ মাধ্যমেই হ'ল শব্দ। কিন্তু, I. A. Richards ক'বৰ দৰে—Words cannot and should not hand over Sensations bodily ; বৰং শব্দৰ তাতকৈ ডাঙৰ দায়িত্ব আছে। কাৰণ, Words are the meeting points at which regions of experience which can never combine in sensation or intuition, come together. (The philosophy of Rhetoric, pp 130-131) কবিতাই এটা বোধৰ উন্মেষ (a realising sense) ঘটায়। এই বোধ ইন্দ্ৰিয়জ-বোধ নহয়, ই হ'ল এক ভাবানুভূতিৰ জাগৰণ। এই ভাবানুভূতি হ'ল কাব্য-ব্যঞ্জনাৰ মাজেদি লাভ কৰা ভাবানুভূতি। সেয়ে ই এক ইন্দ্ৰিয়াতীত অথবা ক'ব পাৰি ইন্দ্ৰিয়-উৰ্ধ ভাবানুভূতি। প্ৰতিভাবান, সাৰ্থক কবিয়ে নিজৰ হৃদয়ৰ 'বোধৰ জাগৰণ' শব্দ চিত্ৰ আৰু শব্দৰ ধ্বনি অৰ্থাৎ ব্যঞ্জনাৰ মাজেৰে পাঠকৰ হৃদয়লৈ সঞ্চৰণ কৰে আৰু এনে অৱস্থাত পাঠক হৈ পৰে কবিৰ 'সহৃদয়-হৃদয়'।

মানুহৰ সকলো অভিজ্ঞতা ছবি আৰু ধ্বনিৰূপত মস্তিস্কত সঞ্চিত

হৈ থাকে। এই সঞ্চিত ছবি আৰু ধ্বনিৰূপৰ আধাৰতে মানুহে 'কল্পনা' কৰে—ইপ্সিত ছবি আৰু ধ্বনিৰূপৰ। এতেকে কল্পনাও ইপ্সিত ছবি আৰু ধ্বনিৰ সহায়ত নিৰ্মাণ কৰি উলিওৱা একো একোটি অ-চাক্ষুষ মূৰ্তি মাত্ৰ। সকলো কবিয়ে নিজৰ অভিজ্ঞতালব্ধ ছবি আৰু ধ্বনিৰ সহায়তে নিৰ্মাণ কৰি উলিয়ায় এনে অ-চাক্ষুষ প্ৰতিমূৰ্তি। এই মূৰ্তিত কবিৰ সমকালীন 'কাল' আৰু 'সমাজ'ৰ প্ৰভাৱো সংযুক্ত হয়। কিন্তু তৎসত্বেও সাৰ্থক কবিয়ে এই 'কাল' আৰু 'সমাজ'ৰ প্ৰাচীৰ ভাঙি তেওঁৰ—'বোধৰ জাগৰণ'ক দিয়ে দেশ আৰু কালহীন ব্যাপ্তি। সেয়ে, এফালে তেওঁ দেশ আৰু কালৰ আৰু আনহাতে তেওঁ দেশাতীত আৰু কালাতীত। এহাতেদি তেওঁৰ ৰচনাৰ মাজেদি প্ৰকাশিত হয় তেওঁৰ ভাবানুভূতিৰ জাগৰণ যি দেশাতীত আৰু কালাতীত; আনহাতেদি তাৰ পিছফালে থাকে দেশ আৰু কালাধাৰ-যুক্ত তেওঁৰ ঐতিহ্য, সংস্কাৰ, অভিজ্ঞতা, ৰুচি আৰু ব্যক্তিত্বৰ সাৰবত্তা (essence)। তেওঁ ব্যৱহাৰ কৰা শব্দ আৰু শব্দ-চিত্ৰবোৰত এহাতে তেওঁৰ ব্যক্তিত্বৰ সাৰবত্তা আৰু আনহাতে তেওঁৰ নৈৰ্ব্যক্তিক মানৱীয় সাৰবত্তা এই দুয়োটা অবিচ্ছেদ্যভাৱে সম্পৃক্ত হৈ থাকে। এজন কবিৰ মাজত এই সম্পৃক্তি-কৰণ সাধিত হয় এক ৰহস্যময় প্ৰক্ৰিয়াৰে। তেওঁৰ ভিতৰৰ চিন্তা-অনুভৱ-কল্পনাই যেতিয়া প্ৰকাশ বিচাৰে, তেতিয়া স্বাভাৱিকতেই আশ্ৰয় ল'বলগীয়া হয় প্ৰতীকৰ। নহ'লে উকা শব্দৰে অভিপ্ৰেত ভাবানুভূতি প্ৰকাশ কৰা সম্ভৱ নহয়। আৰু আমি যাক প্ৰতীক বুলি কওঁ, Carl Jungৰ ভাষাত—"ই এটা অভিধা, এটা নাম নাইবা আমাৰ দৈনন্দিন জীৱনৰ পৰিচিত কোনো চিত্ৰ হ'ব পাৰে; কিন্তু তথাপি ই ইয়াৰ পৰম্পৰাগত পোনপটীয়া অৰ্থৰ অধিক বিশেষ অৰ্থ কাঢ়িয়াই আনে। It implies something vague, unknown or hidden from us." (Man and his symbol, p. 3). প্ৰতীকৰ ব্যৱহাৰৰ মাজতো কবিৰ স্বকীয় ব্যক্তিত্ব আৰু প্ৰতিভাৰ নিবিড় সম্পৰ্ক আছে। এজন কবিৰ কাব্য-বিচাৰৰ সময়ত এই আটাইবোৰ দিশেই বিচাৰাধীন হয়।

ব্যঞ্জনাদীপ্তিৰ গভীৰতাৰ মাজতেই কাব্যৰ সাৰ্থকতা নিহিত হৈ থাকে। সুমধুৰ ছন্দ আৰু অলংকাৰেৰে বিবৃত বিষয়ো কাব্য হৈ নুঠে যদি তাত ব্যঞ্জনাদীপ্তি নাথাকে। ছন্দ, অলংকাৰ—এই সকলোবোৰ হ'ল কাব্যৰ শৰীৰ মাত্ৰ। শৰীৰৰ সৌন্দৰ্যই কাব্য-বিচাৰত শেষ কথা নহয়।

ভাবৰ জাগৰণ বা অনুভূতিৰ ব্যঞ্জনাৰ লগত কবি ব্যক্তিত্ব যে অবিচ্ছেদ্যভাৱে যুক্ত সেই কথাৰ ইংগিত দি অহা হৈছে। কবিয়ে জীৱন আৰু জগতক কেনেভাৱে গ্ৰহণ কৰিছে আৰু কি ৰূপত বিচাৰিছে তাৰ আধাৰতেই তেওঁৰ ভাব বা অনুভূতিৰ জাগৰণ ঘটিব। এতেকে কবিৰ জীৱন-দৃষ্টি বা জীৱন-বোধৰ বিচাৰ অবিহনে তেওঁৰ কাব্যকৃতিৰ বিচাৰ সম্পূৰ্ণ হ'ব নোৱাৰে। তেওঁৰ এনে দৃষ্টিৰ লগতে তেওঁৰ বিষয়-নিৰ্বাচন আৰু ৰসবোধ দুয়োটা অবিভাজ্য ভাৱে জড়িত হৈ থাকে। 'ৰসত চতুৰ জনে' তাৰেই সন্ধান কৰে আৰু স্বাদ লয়।

ৰসত চতুৰজনে কাব্যৰস আস্বাদন কৰে; ব্যাখ্যা নকৰে। কাৰণ ৰসানুভূতিৰ ব্যাখ্যা নাই, কেৱল তাৰ লক্ষণসমূহ আলোচনা কৰিব পাৰি। যি ব্যাখ্যা যোগ্য, তাক প্ৰকাশৰ বাবে ব্যঞ্জনাধৰ্মী ভাষাৰ প্ৰয়োজন নাই। কিন্তু কবিতাৰ ক্ষেত্ৰত ব্যঞ্জনাধৰ্মী ভাষাই তাৰ আত্মাৰ পৰিচ্ছদ। আত্মাক পৰিচ্ছদৰ পৰা বিশ্লিষ্ট কৰিব নোৱাৰি। কিন্তু কোনো এটা কবিতাৰ ৰচনাৰ পটভূমি বিচাৰ আৰু ব্যাখ্যা কৰা সম্ভৱ আৰু এনে ব্যাখ্যাই সংশ্লিষ্ট কবিতাৰ ৰসাস্বাদনতো সহায় কৰিব পাৰে। কাৰণ, কি বিষয় বা ঘটনাই কবিৰ সংবেদনশীলতা জগাই তুলিছিল সেই কথা জানিব পাৰিলে কবিতাটোৰ মাজেদি সঞ্চৰিত 'ভাবৰ জাগৰণ' সহজ-অনুভৱ-যোগ্য হৈ পৰে। কিন্তু য'ত ৰচনাৰ পটভূমি জনাৰ অৱকাশ নাথাকে, কবিতাৰ ব্যঞ্জনা-দীপ্তিৰ অনুভৱৰ যোগেদিয়েই সৌন্দৰ্য আৰু আনন্দৰ আস্বাদ গ্ৰহণ কৰিব লাগিব। এতেকে কবিতাৰ ৰসাস্বাদনৰ বাবে যিদৰে এটা উন্মুখ মনৰ প্ৰয়োজন, তেনেদৰেই প্ৰয়োজন কবিতাৰ নিৰ্মিতি-জ্ঞানৰ আৰু কাব্য-বিচাৰৰ প্ৰশিক্ষণৰো।

এজন কবি তেওঁৰ সময় আৰু সমাজৰ পৰা বিশ্লিষ্ট নহয়। একান্ত ব্যক্তিনিষ্ঠ ৰচনাৰ মাজতো সেইবাবে সমকালীন যুগনিশ্বাসৰ স্পৰ্শ অনুভৱ কৰিব পাৰি। ক'ব পাৰি, যুগ-ভাৱ-শক্তি ( Spirit of the Age ) য়ে ৰচনাৰ প্ৰকৃতি আৰু গতি নিৰ্ণয়ত বিশেষ ভূমিকা গ্ৰহণ কৰে। ৰোমান্টিক যুগনিশ্বাসৰ স্পৰ্শত ক্লাছিকেল মহাকাব্যৰ জগত সাৰ পাই নুঠে; অথবা বিংশ শতিকাৰ শেষ পাদত বিংশ শতিকাৰ প্ৰথম পাদৰ কাব্যৰ পুনৰ সৃষ্টিও সম্ভৱ নহয়। কিন্তু ভাবনাৰ আৰু ৰূপৰ প্ৰভেদত্বৰ মাজেদিও মানৱীয় অনুভূতিৰ এক দেশাতীত আৰু কালাতীত স্বৰূপ আছে আৰু সকলো যুগৰ ৰসোত্তীৰ্ণ ৰচনাত তাৰ প্ৰকাশ ঘটি আহিছে বাবেই আমাৰ যুগত থিয় হৈয়ো আমি হাজাৰ বছৰৰ আগৰ ৰচনাৰ স্বাদ গ্ৰহণ কৰিব পাৰিছোঁ—অৱশ্যেই তাৰ পৃষ্ঠ-ভূমিৰ কথা পাহৰি নোযোৱাকৈ।

ৱৰ্ডছৱৰ্থে কৈছিল—কবিতাত Man speaks to man. এই মানুহটো হ'ল কালৰ হৈয়ো কালাতীত আৰু দেশৰ হৈয়ো দেশাতীত মানুহ। শিল্পত-শিল্পৰসিকে সেই মানুহটোকে লগ পাবলৈ বিচাৰে, তত্ত্ব, তথ্য বা বিৱৰণ নহয়। কবিতাৰ মাজত কাব্যৰসিকে এই সাৰ্বজনীন মানুহটোৰ অবিস্মৰণীয় হৃদয়বাণীৰ সন্ধান কৰে আৰু আস্বাদন কৰে।

## চন্দ্ৰকুমাৰৰ কবিতা

চন্দ্ৰকুমাৰৰ ( ১৮৬৭-১৯৩৮ ) কবিতা পুথি 'প্ৰতিমা' ( ১৯১৪ ) সম্পৰ্কে বেজবৰুৱাই কোৱা "প্ৰতিমাখনি সৰু কিন্তু সোণৰ" এই সৰু বাক্যটিৰ মাজতে 'প্ৰতিমা'ৰ সঠিক মূল্যায়ন ঘটিছে। যাইকৈ "জোনাকী"ৰ প্ৰথম পৰ্বত (১৮৮৯-১৮৯৯) আৰু "বাঁহী"ত (১৯০৩-৩৩) প্ৰকাশিত তাকৰীয়া কবিতাৰেই চন্দ্ৰকুমাৰে আধুনিক অসমীয়া সাহিত্যৰ প্ৰথ যুগৰ সৰ্বশ্ৰেষ্ঠ কবি স্বৰূপে প্ৰতিষ্ঠা লাভ কৰিলে। 'জোনাকী'ৰ প্ৰথম সংখ্যাতে প্ৰকাশিত 'বনকুঁৱৰী' সম্পৰ্কে বেজবৰুৱাই "মোৰ জীৱন সোঁৱৰণ"ত লিখিছে, "মনত আছে, এদিন ৰায়বাহাদুৰ জগন্নাথ

বৰুৱা বি. এ আৰু মানিক চন্দ্ৰ বৰুৱাই মোৰ হতুৱাই 'বনকুঁৱৰী' কবিতাটো পঢ়াই শুনি বিস্ময়বিমিশ্ৰিত আনন্দ লভিছিল। মই স্পষ্ট বুজিব পাৰিছিলোঁ যে তেওঁলোকে আগেয়ে ভাবিবকে নোৱাৰিছিল যে ৱৰ্ডছৱৰ্থৰ কবিতাৰ নিচিনা এনে মনোৰম কবিতা এটা কলেজত পঢ়া অসমীয়া ছাত্ৰ এজনে অসমীয়া ভাষাত ৰচনা কৰিব পাৰে।" (গ্ৰন্থাৱলী, প্ৰথম খণ্ড, পৃ ৪৮)। 'বনকুঁৱৰী'তনো কি আছে? "প্ৰকৃতিৰ ক্ষুদ্ৰতম বস্তুবোৰৰ মাজতো মানুহৰ প্ৰাণত কাৰণ নেদেখা আনন্দৰ ঢৌ" সৃষ্টি কৰিব পৰা অপূৰ্ব সৌন্দৰ্যৰ স্বে-মহিম্নি ৰূপ আছে। প্ৰতিটো স্তৱকে ধৰি ৰাখিছে কল্পিত চিত্ৰৰ অ-চাক্ষুষ শব্দৰূপ আৰু তাৰ মাজত ব্যঞ্জিত হৈছে সৌন্দৰ্য-সন্ধানী কবি-চিত্তৰ নান্দনিক ৰসবোধ। এই সৌন্দৰ্য্য-বোধ বা নান্দনিক চেতনা হ'ল চন্দ্ৰকুমাৰৰ কাব্য-চেতনাৰ ঘাই আধাৰ। তেওঁৰ "জলকুঁৱৰী"ৰ মাজতো সদৃশ 'বোধৰ জাগৰণে' প্ৰকাশ লাভ কৰিছে। "কাৰণ নেদেখা আনন্দৰ ঢৌৱে বুৰালে প্ৰাণীৰ প্ৰাণ"—'বনকুঁৱৰী'ৰ এই শেষৰ শাৰীটিৰ লগত "বেলিৰ কাঞ্চন পোহৰৰ ঢৌৱে উটালে প্ৰাণীৰ প্ৰাণ"—'জলকুঁৱৰী'ৰ এই শেষৰ শাৰীটিৰ সাদৃশ্যও মন কৰিবলগীয়া।

প্ৰকৃতিৰ মাজত ধৰা দিওঁ-নিদিওঁ কৈ থকা এই সুন্দৰৰ ৰূপৰ ঢৌ মানুহলৈও বাগৰি গৈছে; আৰু 'কিশোৰী' আৰু 'মাধুৰী'য়ে অৰ্ধ-প্ৰস্ফুটিত সৌন্দৰ্যৰ ছয়া-ময়া মনোহৰ ৰূপৰ ছবি ধৰি ৰাখিছে। 'কল্পনা-প্ৰৱণ সংবেদনশীলতাৰ অসামান্য বিকাশ' চন্দ্ৰকুমাৰৰ কবিতাত স্বাভাৱিক ভাৱে ঘটিছে আৰু আধুনিক অসমীয়া কবিতাৰ প্ৰাৰম্ভতে ৰোমান্টিক চেতনাৰ পৰিপক্কতা তাৰ মাজত ফুটি উঠিছে। তেওঁৰ কবিতা 'বনকুঁৱৰী' বা 'জলকুঁৱৰী'ত অতি প্ৰাকৃতিক উপাদানৰ পৰিৱৰ্তে এনে সংবেদনশীলতাৰহে দৰাচলতে প্ৰকাশ ঘটিছে। "সুন্দৰৰ আৰাধনা জীৱনৰ খেল" (সৌন্দৰ্য) চন্দ্ৰকুমাৰৰ এই উপলব্ধিও তেওঁৰ এফালে নান্দনিক চেতনাৰে আৰু আনফালে জীৱনৰ মায়াময় লীলাৰ অনুভৱৰ স্পৰ্শেৰে উজ্জীৱিত হৈ আছে। "সুন্দৰ সুন্দৰ বুলি বিয়াকুল নৰ" (সুন্দৰ)

নাইবা "বিচাৰোঁ সুন্দৰ মই নিজে অসুন্দৰ" ( সুন্দৰ )ৰ মাজতো চন্দ্ৰকুমাৰৰ একেই আকাংক্ষা আৰু অনুভৱৰ প্ৰকাশ ঘটিছে। এই সৌন্দৰ্যকে তেওঁ মানুহৰ বাহিৰে-ভিতৰে পাবলৈ বিচাৰে। "মুকলি মনৰ মানৱী মূৰ্তি অকলংক মাধুৰিমা" ( বীণ-বৰাগী )ত প্ৰকাশিত এই আকাংক্ষা নৈৰ্ব্যক্তিক ; কিন্তু "মৰমেৰে সনা কেনে পৱিত্ৰ মুখনি" ( 'গহীন মুখনি মৰমেৰে সনা' এই শাৰীটোলৈ মনত পেলায় ) "পৱিত্ৰ হিয়াৰ কান্তি প্ৰকাশে হিয়াত" ( চিৰ লগৰীয়া ) নাইবা "সুন্দৰৰ আৰাধনা তোমাতে অৰ্পিম" ( জীৱনৰ লগৰীয়া )ৰ মাজত প্ৰকাশিত আকাংক্ষা একান্ত আন্তৰিক। চন্দ্ৰকুমাৰৰ এই সৌন্দৰ্য-চেতনাৰ স্পৰ্শ প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰায় সকলো কবিতাতে স্বাভাৱিকভাৱে পৰিছে আৰু এই চেতনাৰ স্পৰ্শ ই তেওঁৰ কবিতাক দান কৰিছে এক বিৰল আলোক-উজ্জ্বল মহিমা। তেওঁৰ এই সৌন্দৰ্য-চেতনা তেওঁৰ কাব্যানুভূতিৰ লগত অবিভাজ্য ৰূপত সংস্পৃক্ত হৈ আছে। "কোন দেশৰ প্ৰাণী তুমি" নাইবা "সুখগীত" "নিয়ৰ" নাইবা "মায়া" যিটি কবিতাকে হাতত তুলি লোৱা যায়, তাতেই "মুকুতা মণিটি পাহিত" জিলিকাৰ দৰে তেওঁৰ অন্তৰৰ সৌন্দৰ্য-চেতনাৰ স্পৰ্শ জিলিকি থকা দেখা যায়। অৱশ্যেই এই চেতনাৰ লগত কেতিয়াবা আনন্দৰ আৰু কেতিয়াবা আনন্দৰ লগতে এক অব্যক্ত বিষাদৰ প্ৰকাশো ঘটিছে। "ৰাতিৰ ধেমালি জোনৰ নিফুট হাঁহিৰে থৈছে সানি / পুৱাৰ হেঙুলি বেলিটিলে চাই এটুপি চকুৰ পানী" ( নিয়ৰ ) ৰ মাজত ক্ষণিকতাৰ বেদনা ধ্বনিত হৈ আছে। ৰবিঠাকুৰে কোৱা "অলৌকিক আনন্দেৰ ভাৰ / বিধাতা যাঁহাৰে দেয় তাৰ বক্ষে বেদনা অপাৰ"ৰ নিদৰ্শন সৰু-বৰ এনে বিলাক পংক্তিৰ মাজেদিয়েই ফুটি উঠিছে। যিবোৰ উপমাদি অলংকাৰ বা কল্পচিত্ৰ তেওঁ ব্যৱহাৰ কৰিছে তাৰ প্ৰতিটোৰ মাজেদি ফুটি উঠিছে সৌন্দৰ্যৰ অপৰূপ বৰ্ণছটা। চন্দ্ৰকুমাৰৰ কবিতা তেওঁৰ গভীৰ অনুভৱৰ প্ৰকাশ। কেৱল সৌন্দৰ্য সৃষ্টি কৰাৰ উদ্দেশ্যে তেওঁ কবিতা লিখা নাই। বৰং ক'ব পাৰি তেওঁৰ অনুভৱৰ লগত তেওঁৰ সৌন্দৰ্য চেতনা অবিচ্ছেদ্যভাৱে যুক্ত।

কবিতা নিসন্দেহে স্মৰণীয় উক্তি। কিন্তু সেইবাবেই কবিতাত জ্ঞান আৰু তত্ত্বকথা থাকিব লাগিব বুলি ভাবিলে কবিতা সম্পৰ্কে ডাঙৰ ভুলটো কৰা হব। কবিতাৰ স্মৰণীয় বাণী যদি থাকে সি হৃদয়ৰ পৰা উৎসাৰিত আৰু অনুভূতিৰ মাজেদি সঞ্চৰিত বাণী হ'ব লাগিব। চন্দ্ৰকুমাৰৰ কবিতাত প্ৰকাশিত তেওঁৰ চিন্তাভাবনাও তেওঁৰ হৃদয়ৰ পৰা উৎসাৰিত হৈছে আৰু অনুভূতিৰ মাজেদি সৰকি আহিছে। তেওঁৰ 'ইচ্ছা', 'কৰ্মদেৱ' আদি কবিতাত তেওঁৰ জীৱনৰ কোনো মুহূৰ্তত গ্ৰহণ কৰা সংকল্পই প্ৰকাশ লাভ কৰিছে। এনে ৰচনাৰ পিছফালে থকা পটভূমিয়ে সম্বাদ দিয়ে ১৮৯০ চনত কলিকতাৰ পৰা আহি তামোলবাৰী চাহ বাগিচাৰ দায়িত্ব লোৱাৰ সময়ত হোৱা তেওঁৰ মনোদ্বন্দ্ব আৰু সংকল্পৰ। ঠিক তেনেদৰে, তেওঁৰ এজন পুত্ৰৰ অস্বাভাৱিক মৃত্যুৰ ঘটনা 'অজেয়' কবিতা ৰচনাৰ উৎস। 'যুগমীয়া শোক', 'বিমুখ' কবিতাৰ আঁৰতো আছে কন্যা আৰু ভগ্নীৰ মৃত্যুৱে অনা বিচ্ছেদৰ শোকৰ মাজেদি হোৱা আনুভূতিক উপলব্ধি আৰু সংকল্প (জ্যোতিপ্ৰসাদ আগৰৱালা প্ৰণীত চন্দ্ৰকুমাৰৰ জীৱনী দ্ৰষ্টব্য)।

'জীৱন উচ্ছ্বাস', 'জীৱনৰ দলি', 'শান্তি', 'সপোন', 'নহয় সপোন', 'অতৃপ্তি' এই সকলো কবিতাৰ আঁৰত আছে কবিৰ মনোজগত আৰু বাস্তৱ জগতৰ সংঘাতে সৃষ্টি কৰা ভাব আৰু অনুভূতিৰ জাগৰণ। এই ভাব আৰু অনুভূতি তেওঁৰ একান্ত ব্যক্তিগত সত্তা-নিৰ্ভৰ হৈয়ো নৈৰ্ব্যক্তিক স্তৰলৈ উন্নীত হৈছে অনুভূতিৰ সহজ গভীৰতাৰ বাবেই। এই কবিতা সমূহৰ আঁৰৰ ঘটনা বা পটভূমিৰ জ্ঞানে কবিতা সমূহৰ ৰসাস্বাদনত নিশ্চয় সহায় কৰিব।

বৈবাহিক বন্ধনত তুলনামূলকভাৱে কিছু পলমকৈ সোমোৱা কবিৰ মনত পত্নীয়েই প্ৰেয়সী ৰূপতো কল্পিত হৈছে। "সুন্দৰৰ আৰাধনা তোমাতে অৰ্পিম" তাৰে প্ৰতিধ্বনি (জীৱনৰ লগৰীয়া)। স্মৰণীয়, চন্দ্ৰকুমাৰৰ বিয়া উপলক্ষে বেজবৰুৱাই (কৃপাবৰে)—ধেমেলীয়া সুৰত—"কেৰকোচ কেৰকোচ ব'ৰাগী ভটীয়াই গ'ল / ধনশিৰা মুখতে

ৰ'ল / ব'ৰাগিনীক লগপাই আমাৰ ব'ৰাগীকাই ষোল কনীয়াটো হ'ল" ( বীণ ব'ৰাগী ) এই কবিতা ৰচনা কৰিছিল। উল্লেখযোগ্য, চন্দ্ৰকুমাৰে বিয়া কৰাইছিল ধনশিৰীৰ পাৰৰ নগৰ গোলাঘাটৰ পৰা।

'যুগমীয়া শোক'ৰ শেহত "মানুহক ভাল পাম ভাবি আই তোকে / ক্ষেমিম সকলো চিন্তি তোৰেই মুখকে"— এই শাৰী দুটিৰ মাজত ধ্বনিত প্ৰতিশ্ৰুতি ক্ৰমাত তেওঁৰ সমগ্ৰ কাব্য-ৰচনালৈ সম্প্ৰসাৰিত হ'ল। এই সম্প্ৰসাৰণ তেওঁৰ হৃদয়ৰ-আন্তৰিক আনুভূতিক দায়বদ্ধতাৰ লগত জড়িত। মানুহক দেৱতা ৰূপত কল্পনা কৰা কবিৰ ভাবৰ মাজত আগষ্টকোঁটেৰ দৰ্শনৰ প্ৰতিধ্বনি যেন শুনা যায়। কিন্তু এই প্ৰতিধ্বনিৰ মূল ধ্বনি কবিৰ হৃদয়ৰ পৰা উৎসাৰিত। গভীৰ মানৱিকবোধেই ফুল হৈ ফুলা 'তেজীমলা'ৰ মাজেদি এক নতুন ৰূপত প্ৰকাশিত হৈছে। অনেকে ভবাৰ দৰে "তেজীমলা" এটা বেলাড বা কাহিনী গীত বা মালিতা নহয়। এটা লোক-কথাৰ বিষয়ক কেৱল আলম্বন স্বৰূপে গ্ৰহণ কৰি চন্দ্ৰকুমাৰে তাৰ মাজেদি প্ৰকৃতিৰ প্ৰেমৰ পটভূমিত মানুহৰ অসূয়া আৰু শেষত মানুহৰ প্ৰেমৰ জয়ৰ আশাৰ ( গহীন মুখনি মৰমেৰে সনা / মোৰেইতো দেৱতা এওঁ ) আলোক স্তম্ভ এটি যেন স্থাপন কৰিছে। মানুহৰ প্ৰতি প্ৰেম আৰু মানৱ-প্ৰেমৰ প্ৰসংগ তেওঁৰ কবিতাৰ বিভিন্ন স্থানত ধ্বনিত-প্ৰতিধ্বনিত হৈছে। এই মানৱ-প্ৰেম তেওঁৰ কবিতাৰ অন্যতম ঘাই আধাৰ। 'বীণ-ব'ৰাগী'ত তেওঁৰ এই জীৱন-দৃষ্টিয়ে পূৰ্ণতা লাভ কৰিছে। তদুপৰি 'বীণ-ব'ৰাগী'ত ব্যৱহৃত বিভিন্ন প্ৰসংগ তেওঁৰ অন্যান্য কবিতাতো ক'ৰবাত-ক'ৰবাত সিঁচৰতি হৈ আছে। তেওঁৰ 'বীণ-ব'ৰাগী'ত মানৱ-প্ৰেমৰ লক্ষ্যত উপনীত হ'বলৈ শেষত ভগৱৎ-প্ৰেমৰ আশ্ৰয় গ্ৰহণৰ পথ সূচিত হৈছে। তদুপৰি, 'বীণ-ব'ৰাগী'ৰ প্ৰতিধ্বনি তেওঁৰ আন এটা একে নামৰ চুটি কবিতা আৰু 'আনন্দ-তীৰ্থ'তো ধ্বনিত হৈছে। আনহাতে, 'বিশ্বভাৱৰীয়া'ৰ সমভাবৰ প্ৰতিধ্বনিও বাজি উঠিছে 'বীণ-ব'ৰাগী'ৰ মাজত। কোঁটেই সংস্কাৰকামী শক্তি স্বৰূপে বুদ্ধিতকৈ বোধক ওপৰত স্থান দিছিল আৰু

মানুহক যথাৰ্থ সেৱাৰ বিষয়লৈ উন্নীত কৰিব পৰাকৈ দুৰ্বল পৰাৰ্থবাদী দৰ্শনক শক্তিশালী কৰি তোলাৰ ওপৰত গুৰুত্ব দিছিল। 'বীণ-ব'ৰাগী'তো এনে ভাবৰে প্ৰকাশ ঘটিছে। "হিয়াৰ মাজেই অনন্তৰ পথ / যাত্ৰী আমি আগবাঢ়োঁ" (আনন্দ তীৰ্থ) আৰু "হিয়াৰ মাজেদি অনন্ত সুখৰ / পৰি আছে ৰাজবাট" (বীণ-ব'ৰাগী) একেটা ভাবতৰংগৰ প্ৰকাশ। 'বীণ-ব'ৰাগী'ত তেওঁৰ অন্যান্য কবিতাসমূহৰ ভাবৰ ধ্বনি প্ৰতিধ্বনিত হোৱাৰ কথা উল্লেখ কৰি অহা হৈছে। উদাহৰণ স্বৰূপে 'তেজীমলা'ৰ "মানুহ কুটুমে দলিয়াই পেলালে / কাকনো কুটুম পালি"ৰ ভাবৰ প্ৰতিধ্বনিৰ লগত "কুটুমেই ৰান্ধে কুটুমেই বাঢ়ে / কুটুমে কুটুমক খায়"ৰ সাদৃশ্য বা 'পশুবল'ৰ লগত 'বীণ-ব'ৰাগী'ৰ দ্বিতীয় অংশৰ ভাবগত আনকি ঠায়ে ঠায়ে প্ৰকাশগত সাদৃশ্যও মন কৰিবলগীয়া। এনে অনেক উদাহৰণ চয়ন কৰিব পাৰি।

কবিতা হিচাপে সামগ্ৰিকভাৱে 'বীণ-ব'ৰাগী'তকৈ "প্ৰতিমা"ৰ 'সন্ধিয়া', 'সপোন', 'প্ৰকৃতি', 'কিশোৰী', 'মাধুৰী', 'বনকুঁৱৰী', 'নিয়ৰ', 'জলকুঁৱৰী', 'তেজীমলা' আদি কবিতা শ্ৰেষ্ঠতৰ। কিন্তু 'বীণ-ব'ৰাগী'ত চন্দ্ৰকুমাৰৰ কাব্য-চেতনাৰ আটাইকেওটা দিশে প্ৰকাশ লাভ কৰিছে। মানৱিকতাবাদ তেওঁৰ ইয়াত লক্ষ্য, অধ্যাত্মবোধ অৱলম্বন ('দুখ দূৰ কৰি জগৎ উদ্ধাৰ কৰাহে জগৎস্বামী')। এই লক্ষ্য প্ৰাপ্তিৰ বাবে তেওঁ বুদ্ধিতকৈ বোধত দিছে অধিক গুৰুত্ব আৰু সেই বাবে হৃদয়ৰ পৰিৱৰ্তনৰ যোগেদি সামাজিক জীৱনৰ পৰিৱৰ্তনৰ সম্ভাৱনা দাঙি ধৰিছে। 'বীণ-বৰাগী'ত ব'ৰাগী হ'ল মানুহৰ মাজত থকা ঈৰ্ষা-অসূয়া, আৰু উচ্চ-নীচৰ ভেদাভেদ দেখি ব্যথিত হোৱা কবি আৰু বীণ হ'ল তেওঁৰ অন্তৰ বীণ। বীণ-বৰাগী শব্দটি অসমীয়া লোক-জীৱনৰ লগত গভীৰভাৱে যুক্ত। তদুপৰি বীণৰ সুৰত থকা কোমলতা আৰু কাৰুণ্যৰ ব্যঞ্জনাও উল্লেখযোগ্য। এহাতে পশ্চিমৰ পৰা অহা উদাৰ মানৱিকতাবাদ (liberal humanism) আৰু আনহাতে পূবৰ অধ্যাত্মবাদ (spiritualism) এই দুয়োটা ভাবাদৰ্শই 'বীণ-বৰাগী'ৰ

এটি সমন্বিত ৰূপ লাভ কৰিছে। এফালে এক বৈপ্লৱিক চেতনা (আঙুলি বুলাব জনা হলে আজি পেলালোঁহেঁতেন টানি……') আনহাতে আধ্যাত্মিক দৃষ্টিভংগী ('দিব্য দৃষ্টিৰে চোৱাঁহে জগতখন'); এহাতে কাৰুণ্য ('দুখীয়াৰ দুখ দুৰ্বলীৰ শাস্তি / দেখি ফাটি যায় হিয়া'), আনহাতে মানুহৰ ওপৰত গভীৰ আস্থা ('মানুহেই দেৱ ইহজগতৰ / মানুহেই পৰাৎপৰ')—এই সকলোবোৰ আপাতঃ বিৰোধী কিন্তু সু-সংগ্ৰথিত ভাবনাই 'বীণ-বৰাগী'ত যেন মেল পাতিছে। এফালে শ্বেলীৰ ('আঙুলি বুলাব জনা হ'লে আদিৰ লগত Ode to West wind তুলনীয়) সামাজিক-চেতনা, আনহাতে ৱৰ্ডছৱৰ্থৰ ('মোৰেই জগতখন মোকেই মাতিছে'ৰ লগত—A motion and a spirit that impels all thinking things…ৰ লগত তুলনীয়) সৰ্বাত্মবাদ, এফালে ঋগ্বেদৰ "অহংৰুদ্ৰেভি বসুভিশ্চৰাজ্য হমাদিতৈৰুত বিশ্বদেবৈঃ / অহং মিত্ৰাবৰুণেভ্যো বিভৰ্জ্যহমিন্দ্ৰাগ্নি অহমশ্চিনোভা" যিদৰে ধ্বনিত, তেনেদৰে অসমীয়া বৈষ্ণৱ কবিৰ ৰচনাৰ সুৰো ('ধৰ্মৰ নামত অধৰ্মৰ বেহা / দেখিলে বিৰাগ হয়। ধনৰ লোভত পাপ সত্ৰ পাতি কপটী গুৰুৰ জয়'ৰ লগত 'বেদস্তুতি'ৰ 'সন্যাসীৰ বেশ ধৰি লোকক বঞ্চিলোঁ ছলে / ভৈলো ভোগ্য চিন্তায়ে ব্যাকুল'ৰ লগত তুলনীয়) ব্যঞ্জিত। এই কবিতাটোত কবি চন্দ্ৰকুমাৰে এনে কিছু অনুষংগ ব্যৱহাৰ কৰিছে যে—তাক ভালকৈ অনুসন্ধান নকৰালৈকে অনুভৱ কৰিব নোৱাৰি। যেনে—"উঠি হৃদয়ত লীন হয় ক্ষণে দৰিদ্ৰৰ মনোৰথ"ৰ আঁৰত আছে—"উত্থায়হৃদিলীয়ন্তে দৰিদ্ৰাণাং মনোৰথাঃ"; "হুমুনিয়া ৰাশি মৰম পৰশি"ৰ আঁৰত যেন "কাণেৰ ভিতৰে দিয়া মৰমে পশিল গো"ৰ ক্ষীণ ৰেশ এটি বাজি আছে; "দেখিলো কেনেনো নৰ সমাজত বিষম জঞ্জাল হাঁয়"ৰ লগত Wordsworthৰ "Have I not reason to lament / what man has made of man" তুলনীয়; "সুলকিছে লাহে সংসাৰৰ বান্ধ মুকলিছে মন মোৰ"ৰ আঁৰত আছে "ছিদ্যতেহৃদয়গ্ৰন্থিশ্চিন্দ্যন্তে সৰ্ব সংশয়াঃ"; "সপোনেৰে দিনে-ৰাতি উমলি ফুৰিলোঁ"ৰ লগত "তোহ্মাৰেসে মায়া কৰ্মবন্দী হুয়া / সংসাৰে

উপজি মৰোঁ” তুলনীয়। এনেভাৱে অনেক অনুষংগ বিচাৰি উলিয়াব পাৰি। এনে অনুষংগসমূহে কবিৰ অধ্যয়নৰ পৰিসৰ আৰু উপলব্ধিৰ গভীৰতা দুয়োটাৰ পৰিচয় বহন কৰিছে। এফালে প্ৰকৃতিৰ সৌন্দৰ্যৰ ব্যাখ্যাহীন, স্পৰ্শাতীত ৰূপৰ উপলব্ধি, আনহাতে তাৰ মাজত 'সৰ্বাত্মবাদী বোধ'ৰ অনুভৱ ; এফালে গভীৰ মানৱপ্ৰেম আৰু আন-ফালে গভীৰ অধ্যাত্ম দৃষ্টি—এই সকলোৱে চন্দ্ৰকুমাৰৰ মাজত প্ৰকাশ ভিক্ষা কৰিছে। 'প্ৰতিমা'ৰ প্ৰথম কবিতাটিতে কৈছে—"আধাফুটা আৱেগৰ ইমান জুমুৰি / দিলোঁ মেলি হৃদয় দুৱাৰ"; আৰু 'বীণ-বৰাগী'ৰ শেষৰ স্তৱকটিত কৈছে—"মোৰেই মুখেদি মানৱ-প্ৰাণৰ ফুটক আকুল মাত / মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ সত্য হক প্ৰতিভাত"। এটা ব্যক্তি মনৰ, আৰু আনটো সমষ্টিমনৰ হৃদয়-বাঞ্ছাৰ স্পৰ্শৰ আলোকেৰে উজ্বল হৈ আছে। যথাৰ্থতে চন্দ্ৰকুমাৰ সকলো কালৰ বাবে এগৰাকী সাৰ্থক কবি।

এই গৰাকী কবিৰ 'প্ৰতিমা'ত সন্নিবিষ্ট হৈছিল ৪৬টা কবিতা। ইয়াৰ পিছত 'বীণ-বৰাগী' প্ৰকাশিত হয়। চন্দ্ৰকুমাৰৰ অসংকলিত হৈ থকা আৰু ১৭টি কবিতাৰ লগত চন্দ্ৰকুমাৰৰ চিঠি কেইখনমান আৰু দুটামান সৰু গদ্য-ৰচনা 'চন্দ্ৰামৃত' নামেৰে একত্ৰ সংকলন কৰে অধ্যাপক শ্ৰী (এতিয়া স্বৰ্গীয়) অতুলচন্দ্ৰ হাজৰিকাই। চন্দ্ৰকুমাৰৰ কাব্য-সম্ভাৰ এইখিনিকে পোৱা হৈছিল। 'জোনাকী' (১৮৮৯-১৮৯৯) একত্ৰ সংকলনৰ সময়ত আমি 'জোনাকী'ত সিঁচৰতি হৈ থকা আৰু ছটি কবিতা পালোঁ। চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰ এই ৭০টি কবিতাৰ সংকলন।

চন্দ্ৰকুমাৰৰ বিষয়ে আমাৰ বিভিন্ন সমালোচকে উচ্চমত পোষণ কৰিলেও এই কবি গৰাকীৰ কবিতাৰ এটি সামগ্ৰিক মূল্যায়ন এতিয়াও হোৱা নাই। চন্দ্ৰকুমাৰৰ কবিতাসমূহ আকৌ এবাৰ পঢ়ি চাই অনুভৱ কৰিছোঁ—চন্দ্ৰকুমাৰ কেৱল সমকালৰে নহয়, সৰ্বকালৰ এগৰাকী যথাৰ্থ সফল কবি। আমি আশা কৰিছোঁ কাব্য-ৰসিক সকলে চন্দ্ৰকুমাৰৰ এতিয়ালৈকে পোৱা সকলো কবিতাৰ এই সংকলনটিৰ ভিত্তিত এই

গৰাকী কবিৰ 'কবি-প্ৰতিভা'ৰ যথাৰ্থ মূল্যায়ন কৰিবলৈ আগবাঢ়ি আহিব। কবিতাৰ ব্যাখ্যা যে সম্ভৱ নহয়, চন্দ্ৰকুমাৰৰ শ্ৰেষ্ঠ কবিতা কেইটিয়ে তাকেই নীৰৱে ঘোষণা কৰি আছে।

'বনলতা'ৰ স্বত্বাধিকাৰী ভ্ৰাতৃপ্ৰতিম শ্ৰীমাখন হাজৰিকাই চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰ ছপাবলৈ আগবাঢ়ি অহাত তেওঁৰো শলাগ ল'লোঁ। ইতি—

৬ মে, বুদ্ধ পূৰ্ণিমা, ১৯৯৩
আশ্ৰয়
জীৱনফুকন নগৰ ঃ ডিব্ৰুগড়

নগেন শইকীয়া

# সূচীপত্ৰ


| | বিষয় | পৃষ্ঠা |
|---|---|---|
| ১। | প্ৰতিমা | ১ |
| ২। | জীৱন উচ্ছ্বাস | ২ |
| ৩। | জীৱনৰ দলি | ৬ |
| ৪। | সন্ধিয়া | ৭ |
| ৫। | বিমুখ | ৮ |
| ৬। | যুগমীয়া শোক | ১০ |
| ৭। | শান্তি | ১১ |
| ৮। | সপোন | ১২ |
| ৯। | সৌন্দর্য | ১৩ |
| ১০। | প্ৰকৃতি | ১৪ |
| ১১। | আশা | ১৫ |
| ১২। | অকলশৰীয়া | ১৬ |
| ১৩। | চিৰ লগৰীয়া | ১৭ |
| ১৪। | জীৱনৰ লগৰীয়া | ১৮ |
| ১৫। | সত্য তুমি, শিৱ তুমি, অসীম সুন্দৰ | ১৯ |
| ১৬। | সুখ | ২০ |
| ১৭। | সুধা মুখ | ২১ |
| ১৮। | নহয় সপোন | ২২ |
| ১৯। | সংশয় ৰহস্য | ২৩ |
| ২০। | বিশ্ব ভাৱৰীয়া | ২৪ |
| ২১। | অতৃপ্তি | ২৫ |
| ২২। | আওহেলা | ২৬ |
| ২৩। | প্ৰাণৰ দবাটি | ২৭ |
| ২৪। | জোনাকী | ২৮ |
| ২৫। | কূট | ২৯ |

২৬। ইচ্ছা ... ... ৩০
২৭। মই ... ... ৩১
২৮। কিশোৰী ... ... ৩২
২৯। মাধুৰী ... ... ৩৩
৩০। অনন্তৰ সোঁত ... ... ৩৫
৩১। "ফুলৰ চাকি" ৰচোতাৰ প্ৰতি ... ৩৬
৩২। সীতা সৰমা ... ... ৩৭
৩৩। ফুলা সৰিয়হ ডৰা ... ... ৩৮
৩৪। কৰ্ম্মদেৱ ... ... ৩৯
৩৫। মানৱ বন্দনা ... ... ৪০
৩৬। হৃদয় সৰগ ... ... ৪১
৩৭। বনকুঁৱৰী ... ... ৪৩
৩৮। সৰা পাহি ... ... ৪৭
৩৯। নীয়ৰ ... ... ৪৮
৪০। মায়া ... .. ৪৯
৪১। আশীৰ্বাদ ... ... ৫০
৪২। জলকুঁৱৰী ... ... ৫২
৪৩। তেজীমলা ... ... ৫৬
৪৪। সুখ গীত ... ... ৫৯
৪৫। সুন্দৰ ... ... ৬০
৪৬। জোনাকী ... ... ৬১
৪৭। বীণ-বৰাগী ... ... ৬৫
৪৮। আনন্দ তীৰ্থ ... ... ৮৩
৪৯। প্ৰপঞ্চ ( কথা-সূত্ৰ ; কথা ; দিন ৰাতি ; সাত বৰণ আৰু ৰামধেনুৰ আৱিৰ্ভাৱ ) ... ৮৪
৫০। সেৱা লহৰী ( ল'ৰা-ছোৱালীৰ গান ) ... ৮৮
৫১। পশুবল .. ... ৯১
৫২। কেও নোহে—পৰ—( গীত ) ... ৯৪

৫৩। আৰু কিয় ? ... ... ৯৫
৫৪। নতুন বছৰ ... ... ৯৬
৫৫। যাত্ৰা ... ... ৯৭
৫৬। আত্মদান ... ... ৯৮
৫৭। লটিঘটি ... ... ৯৯
৫৮। নঙঠা ফকিৰ ... ... ১০০
৫৯। কোন দেশৰ প্ৰাণী তুমি ... ... ১০১
৬০। চাকৰি স্তোত্ৰ ... ... ১০৩
৬১। মৌনী শিশুপাল ... ... ১০৫
৬২। নাচিকেতাৰ উপাখ্যান ( কঠোপনিষৎ ) ... ১০৭
৬৩। যুৱৰাজ ... ... ১০৯
৬৪। বীণ-বৰাগী ... ... ১১৩
৬৫। অকিঞ্চন ... ... ১১৬
৬৬। জোনাকী ... ... ১১৭
৬৭। সাধনা ... ... ১১৯
৬৮। কিয় ভাই নিবিলাবা হিয়া ? ... ১২০
৬৯। সংসাৰ ... ... ১২২
৭০। মৌমাখি ... ... ১২৩
৭১। অজেয় ... ... ১২৫

# প্রতিমা

# প্ৰতিমা

হৃদয়ৰ মন্দিৰত লুকুৱা প্ৰতিমা
ভাষা নাই কিৰূপে বুজাওঁ !
আগন্তুক সহস্ৰ চকুৰ অনুৰোধ
শক্তি নাই কিৰূপে এৰাওঁ ?
"প্ৰতিমা প্ৰতিমা" ৰৱে ব্যাকুল কৰিলে
চাব খোজে হিয়াৰ বিকাশ।
কুচিমুচি আগুৱায় দুৰ্বল হৃদয়
দিবলৈ এফেৰি আভাস।
নিমাতী হিয়াৰ কিন্তু মাত পোৱা টান,
হৃদয় যে ইমান লাজুক !
সখী চিত্ৰলেখা মোৰ কল্পনা সুন্দৰী—
সমিধান দিয়া আহি মোক।
আধা ফুটা আৱেগৰ ইমান জুমুৰি
দিলোঁ মেলি হৃদয় দুৱাৰ
যত ইচ্ছা দৰ্শকৰ চক জুমি জুমি
ভুলে যদি সন্তাপ মনৰ।

# জীৱন উচ্ছ্বাস

ভৱিষ্যৰ মোহিনী ৰূপত ভোল গৈ—
ৰচিলোঁ কল্পনা জখলা।
সৰগৰ ভোগ মই নৰ হৈ বাঞ্ছিলোঁ
আকাশ কুসুম কমলা।
মায়াৰ পোহৰ জাল সুখেৰে আলিঙ্গি
হলোঁ যে মগন বিমনা।
আৰাম ফটিকা জালে বিশ্ৰাম পাটীত
পাতিলোঁ সুখৰ জল্পনা।
পিছে হায়!
কোনোবাই মোক যেন তললৈ পেলালে
অতল গভীৰ নজনা।
সাৰ পাই চাওঁ ঘোৰ সংসাৰ ৰাক্ষস
হুতাশ বিকট দশনা।
হেঁচা মাৰি ধৰি আছে উঠিব নিদিয়ে।
যৰে মইতো ততে আছোঁ।
নাই মুঠে সুখ আশা, পলোৱা সপোন
মই এলটাৰ ধৰিছোঁ।
ঘূঁৰি চাই ৰাক্ষসেৰে পাৰোঁ যদি উঠোঁ
বুলি, ঘূৰি চিপ মাৰিছোঁ।
কি হ'ল পৰাণ হায়! আছেনে কি নাই,
আকাশ কুসুম তোলিছোঁ।
হৰি! হৰি!
মিছা ভাৱনাত কিয় পৰি কেঁকাওঁ

পৰি হুমুনিয়া কাঢ়িছোঁ।
বুলিলো মোহত যাক সংসাৰ ৰাক্ষস
তাকেহে কুটুম মানিছোঁ।
সাৰটি বুকুত লওঁ, মিছা আশা এৰোঁ
মৰতৰ মৰণ আলয়।
ঘূৰি আশা ইয়াতেই বান্ধো ইয়ালকে
জীৱনৰ উদ্দেশ্য নিশ্চয়।
খপিয়াবলৈ এৰি, একত আশ্ৰয়,
শতমুখী এৰো বাসনা।
আকাশ কুসুম মালা সপোনত গঁথা
লোৱাঁ সবে মিলি দিগঙ্গনা
যেন নেপাহৰোঁ জীৱৰ জীৱন
বিশ্বৰ মঙ্গল নিদান।
যি কাম আগতে দেখোঁ মই শিৱময়,
সেয়ে মোৰতো প্ৰমাণ।

## জীৱনৰ দলি

কোনে জানে কিবা বিচাৰি আহিছোঁ
নিজেও নোৱাৰোঁ কব
আপোনাৰ ভাৱ আপুনি নেজানো,
নেজানো পিছে কি হব।
কি কামত আহি কিহত ঘূৰিছোঁ?
এফেৰি চিন্তাও নাই।
বাট পথ এৰি ইমান ঘূৰোঁতে
বাটো পাহৰিলোঁ হায়!
লক্ষ্যভ্ৰষ্ট নেকি জীৱনৰ দলি?
উফৰি ত্ৰিভুৱন দেখোঁ।
ধেমালিতে আজি অত দিন গ'ল!
এতিয়া কি লেখ লেখোঁ।
কিহে নো ভুলালে, কিহৰ ৰাগীত
ইমান বলিয়া হলোঁ।
মোক সামৰিব কোন লগৰীয়া?
মই যে অকলে ৰলোঁ।

## সন্ধিয়া

ৰঙা মুখে ৰঙা বেলি মাগিলে বিদায়
দেখা দিয়ে নিমিষতে সন্ধিয়া লুকায়।
প্ৰথম চুমাৰ ৰেখ নৌ পাবোঁতেই
নিঠুৰ বিৰহে তাক মছিয়ে নিলেই।
হেঙুলি বিচ্ছেদ মেঘে আঁতৰাই ধৰে
বিধিৰ লিখন হায়! নলৰে নচৰে।
ই বজ্ৰ বাতৰি তই কত পুহিছিলি?
মিঠা মুখে মেঘ হেৰ' শতুৰু শালিলি।
সন্ধিয়া আইটী হায় মুকলি চুলিৰে
নীৰৱে এন্ধাৰ কৰি বিশ্ব পৰিহৰে।
যোৱাঁ আই যোৱাঁ আছে পছিম সাগৰ
বুৰ দি গুচোৱা গৈ সন্তাপ ভাগৰ।
আজলী ছোৱালী, হায় সংসাৰ ধাৰ
নৌ ধৰোঁতেই গ'ল, ইচ্ছা বিধতাৰ!

# বিমুখ

ভুমুকি মাৰিয়ে হলি সংসাৰ বিমুখ
সংসাৰৰ বিহে তোৰ দহিলে হৃদয় !
মৰম নোহোৱা হায় বাহিৰ সংসাৰ।
ঘূৰি চাবলকে তোৰ ভাল নেলাগিল।
দুৱাৰবেপৰা উভতিলি ঘৰলৈ
কি দেখি নগ'ল সত ওলাবলৈ তোৰ ॥
মানুহে মানুহে হায় ! মৰম নেদেখি
কোমল হৃদয় তোৰ গ'ল পৰি জ'ই ॥
নিজৰ যি দুখ মাথোঁ নিজেই বুজিলি
নগ'ল যে মন তোৰ কাকো বুজাবলৈ,
এনেই দুখীয়া দেখি সংসাৰৰ প্ৰাণী
নেজাপিলি আৰু তোৰ দুখৰ কাহিনী
কলেও দুখৰ কথা কোনে পতিয়াব ?
নিঃকুটুমীয়া লোকে পুতৌ নেজানিব।
সেই দেখিয়ে নে তই এৰি গলি হায় !
সংসাৰৰ ৰদে ভাপে পমিয়েই গলি
নীচৈ কুমলীয়া তই স্নেহৰ পুতলি !
বাৰীচুকে ৰিঙিয়াই ভাই লগে লৈ
ধেমালিত মগ্ন তোক দেখিলে শুৱায়
গহীন সংসাৰ, মাত মাৰি থকা হায়
কপট জীৱনে আই তোক মুগুৱায়।
নিজে দিহা কৰি ললি নিজৰ জীৱন
মুকলি-মূৰীয়া হৈ আকৌ ফুৰিবলৈ

পলাই মাৰিলি লৰ মহা ধেমালিলৈ
অনন্ত হাঁহিৰে যত বিশ্ব হাঁহিময়।
ক্ষুদ্ৰ বান্ধ ছিঙ্গি পালি প্ৰাণৰ ধেমালি,
চিৰ কুমাৰীৰ খেল খেদি থাকিবলৈ
প্ৰাণৰ হেঁপাহ তই পাহৰি আছিলি ?
যি ধেমালিৰ শান্তি তই ফুৰিলি বিচাৰি,
তাকে যেন পাওৱ তাত যলৈ গলি আই।
এফেৰি মৰম চিন মোৰ যে নিনিলি
কিবা আছে আই মোৰ দুখীয়া হিয়াৰ
সাঁচিছিলোঁ মুকুতা ৰতন এটি তোলৈ
তাকে তোক দিলোঁ হয়—চকুপানী টুপি
ধনৰ ভিতৰে মোৰ এয়ে যি সম্বল !

# যুগমীয়া শোক

নেপাহৰোঁ যেন এই শোক
হিয়াৰ মাজত সদায় জ্বলোক
চিৰদিন দেখা পাম স্বৰ্গৰ আলোক।
নেপাহৰোঁ যেন আই তোক
দিলোঁ কত হায় পৰিতাপ শোক
এটি এটিকৈ যেন পাহৰ সকলোক।
পাহৰিব নোৱাৰোঁ নহয়!
পাহৰিলি কিন্তু আমাক যে তই।
কিয়! তয়োতো পাহৰিব নোৱাৰ নিশ্চয়।
সি মৰম নোহোৱা হব নে?
তোৰ যি মৰম আমি নুবুজোঁ নে।
হিয়া তোৰ ভগা নাই বুলি কব কোনে।
গলি তই হানি একো নাই
তোৰ যে সলনি ৰাখিম জীয়াই
ই পবিত্ৰ শোক তোৰ যুগমীয়াকই।
মৰম শিকাব তোৰ শোকে
লেখৰ যি কিদিন থাকোঁ মৰ্ত্যলোকে
মানুহক ভাল পাম ভাবি আই তোকে,
ক্ষেমিম সকলো চিন্তি তোৰেই মুখকে।

# শান্তি

সংসাৰৰ উপেক্ষা ৰাশিয়ে
নাশিব নে শান্তি হৃদয়ৰ ?
বাটকুৰা লোকৰ কথাতে
ভাঙিবা নে আপোনাৰ ঘৰ ?
অভিমান-ভৰা হৃদয়ত
বিন্ধিবতো উপেক্ষাৰ বাণে।
আমি হেৰা নৰ সংসাৰত
দাসৰো যে দাস, নেজানা নে ?
মিছা অভিমান, সুখ আশা,
মিছা এই উপেক্ষাৰ ৰাশি।
প্ৰেমৰ আগত কিবা দুখ,
কিবা মৃত্যু ?—প্ৰেম মৃত্যুঞ্জয়ী।
ৰোগ শোক তাপ অভিমান
মানুহৰ মনৰ জঞ্জাল।
জঞ্জালতে আত্ম বলিদান
—নোহে ইটো পৰমাৰ্থ জ্ঞান।
যি প্ৰেমেই তোমাৰ সম্বল
সেয়ে স্পৰ্শমণি সংসাৰৰ।
কিবা চোৰাঁ হাততে ৰতন
প্ৰেমেই যে শান্তি জগতৰ।

## সপোন

আছিলোঁ এদিন ধেমালি মগন
কুমলীয়া বয়সত,
নাচি নাচি উৰি পখিলাটী আহি
মোৰ কলেহি কাণত
"আমাৰ ই দিন নেথাকে সদাই
কান্দিব লাগিব মিতা।
মউৰ সোৱাদ হাঁহি ধেমালিও
হ্বহে এদিন তিতা।"
সপোনৰ দৰে উৰি আহিছিল
উৰি গ'ল সিবা কলৈ।
এতিয়া দেখিছোঁ তাৰ সেই কথা
ধৰিছে ফলিয়াবলৈ।

# সৌন্দৰ্য্য

কি মোহনী মাৰি মোৰ ভুলালি হৃদয় !
ভাঙ্গিলি ব্ৰতৰ বান্ধ দুৰ্বল প্ৰাণৰ !
ক'ত কৰবাত—এফেৰি ৰূপৰ কান্তি,
—অজ্ঞানে সজ্ঞানে সেয়ে ধ্যান জ্ঞান মোৰ।
ভুমুকি মাৰোঁগৈ যতো নাই অধিকাৰ।
উন্মত্তৰ দৰে ফুৰোঁ ঘৰত পৰত
প্ৰাণৰ আকাঙ্ক্ষা মোৰ হ'ল বহুমুখী,
—কৰ্তব্যৰ ঋণ দেখো নপৰে মনত।
ফুৰিছোঁ যাত্ৰীৰ বেশে স্বদেশ বিদেশ
সৌন্দৰ্য্য আভাস যতে পাওঁ একণিকা।
সুন্দৰৰ আৰাধনা জীৱনৰ খেল !
অভিনয় অন্তে ঘোৰ কাল যৱনিকা।

# প্ৰকৃতি

ফুল কলি ফুলি গোন্ধ
বোৱাই প্ৰীতিৰ সোঁত
            সৰি পাছে নাইকিয়া হ'ল।
সি ফুলৰে মউ-পিয়া
এটা ভোমোৰা বলিয়া
            ঘূৰি ঘূৰি ফুৰিছে অকল।
উৰি ফুৰি বেজাৰৰ
হৃদয় ৰাগিনী তাৰ
            বৰষি যে সিও গুচি গ'ল।
কৰ কোন কিবা হ'ল
চিন স্মৃতি পমি গ'ল
            প্ৰকৃতি যে তেনেকৈয়ে ৰল!

# আশা

কিয় মোৰ আশা হায় আশাতে নৰয় ?
ইমান বিঘিনি দেখি পৰি যায় ভঁয় ।
জগতৰ গতি দেখি পৰিছোঁ ভাগৰি ।
নেলাগে নেপাওঁ যিটো কিয় মৰো পুৰি ?

# অকলসৰীয়া

অকলই উৰি ফুৰে প্ৰাণৰ পখীটী
কল্পনা-বিহাৰী নিৰজন আকাশেদি।
বিশাল ব্ৰহ্মাণ্ড তাৰ চকুৰ আগত
অনন্ত শূন্যৰ ৰাজ্য জুৰি ওপৰত।
শান্ত পৰ্বতৰ টিং, অৰণ্য, সাগৰ,
প্ৰকৃতিৰ হিয়া যেন বৈৰাগ্য আধাৰ।
মানুহৰো ৰাজ্য পৰে চকুত অশেষ,
কোলাহলপূৰ্ণ কিন্তু নিমগ্ন সি দেশ।
প্ৰাণ পখী উটি যায় শূন্য ৰহস্যত
লগ হেৰুৱাই মেঘ আকাশ মাজত।
উদাস হৃদয় তাৰ অকলে আকুল,
প্ৰাণৰ প্ৰাণত বাজে বিষাদৰ সুৰ।
জনপূৰ্ণ নিৰ্জনত কতা লগৰীয়া ?
বিশ্ব সংসাৰত হায় অকলসৰীয়া।

## চিৰ লগৰীয়া

বিচাৰি ইমান দিনে জীৱনৰ সঙ্গী
পালোঁ মই এই দেখোঁ আছিল হিয়াত।
মৰমেৰে সনা কেনে পবিত্ৰ মুখ'নি
পবিত্ৰ হিয়াৰ কান্তি প্ৰকাশে আভাত।
তিৰবিৰ চকু দুটি কঁপিছে হিল্লোলে
উথলি পৰিছে সৈয়া প্ৰেমৰ আৱেগ।
কি মধুৰ হৃদয়ৰ দিছে পৰিচয়।
সংসাৰৰ, শান্তি ঢালি আঁতৰাব মেঘ।
জীৱনক মধুৰেৰে পূৰ কৰিবলৈ
কৰ পৰা পালোঁ এই মোহিনী প্ৰতিমা
সংসাৰত দুখে সুখে লগৰীয়া মোৰ
পৰম বান্ধৱ এই আশ্বাস আতমা।
সুন্দৰৰো সুন্দৰ সংসাৰ দুদিনীয়া,
প্ৰাণে প্ৰাণে বন্ধা মোৰ চিৰ লগৰীয়া।

# জীৱনৰ লগৰীয়া

প্ৰকাশি ঊষাৰ দৰে নিতউ নতুন
নিবাঁ মোক সুন্দৰৰ সৰগ ৰাজ্যলৈ।
পঠিয়াঁবা কামলৈ, বেলিটিৰ দৰে,
উজলিবাঁ তুমি মোৰ গোটেই ভুৱন।
সন্ধিয়াৰ দৰে মোৰ হৰিবাঁ ভাগৰ
বুলাই কোমল হাত সন্তাপিত গাত।
টোপনিৰ দৰে মোক পেলাবাঁ আৱৰি
সপোনত হবাঁ মোৰ ৰহস্য নায়িকা।
আছে হৃদয়ত যিবা আকাঙ্ক্ষাৰ দেশ
সকলোৰে অধিষ্ঠাত্ৰী হবাঁ তুমি আহি।
আকাশ পটত উঠি জোনাইৰ দৰে
প্ৰচাৰিবাঁ জগতত "মৰমেই ধৰম"।
সুন্দৰৰ আৰাধনা তোমাতে অৰ্পিম
প্ৰাণৰ আকাঙ্ক্ষা মোৰ হব একে মুখী।
মানৱী জনম হব সৌভাগ্যেৰে পূৰ
আনন্দৰ নিজৰণি তুমি প্ৰাণ মোৰ।

## সত্য তুমি, শিৱ তুমি, অসীম সুন্দৰ

জ্ঞান ফিৰিঙটি এটি পাই,
অনন্ত জ্ঞানৰ
স্বৰ্গলৈ মানুহ উধায়
—ৰহস্যৰ ঘৰ।
সত্যেৰে পোহৰময় মানৱ হৃদয়
জ্যোতি স্বৰূপৰ লীলা প্ৰকৃতি বিজয়।
প্ৰেমৰ এটুপি সুধা মাথোঁ
অন্তৰত আছে।
তাৰেই বলিয়া হৈ তাৰেই
তালে তালে নাচে।
শিৱময় মানুহৰ সংসাৰ আশ্ৰয়
সুখৰ ভঁৰাল এই মানৱ হৃদয়।
প্ৰাণ সাগৰৰ এক বিন্দু
মানৱ জীৱন।
কাৰ্য্যৰ তৰঙ্গময় সিন্ধু
সংসাৰ মহান।
সুন্দৰৰো সুন্দৰ ই তুদিনীয়া দেশ
যতনৰ আনন্দৰ শুৱনি আৱেশ।
জ্ঞানময় প্ৰেমময় প্ৰাণৰ ঈশ্বৰ,
সত্য তুমি শিৱ তুমি অসীম সুন্দৰ।

# সুখ

সুখ সুখ বুলি বিয়াকুল নৰ
নেপায় সুখৰ বুজ।
বিচাৰি নেপায় আছে হাততেই
হায় কৰি মৰে যুঁজ।
সুখ নোহে ইটো জগতৰ বস্তু
সুখ যে মায়াৰ বিত।
মনৰ তলিৰ পৰা বই আহে
লুকায় বাহিৰ বালিত।

## সুধা মুখ

মুখৰ সোৱাদে মোৰ পমাব হৃদয়
—অমৃতৰ নিজৰণি বওঁা ওঁঠ দুই।
মাতে মৌ বৰষিব, মুখৰ নিশ্বাসে
হৃদয়ৰ দুখ ব্যথা লই যাব ধুই।
পাতলি গধুৰ ভাৰ উধাব জীৱন
পাহৰি ই পৃথিৱীৰ শৃঙ্খল সন্তাপ।
হয় যদি এয়ে হক, মৰণৰ পাৰে
মুখতে মুখ দি দুটি তৰা মাৰ যাব।

## নহয় সপোন

আছিলোঁ সপোন বুলি, সি নহয়
দিন দুপৰৰ কথা।
বোলেও বোলক সংসাৰে, নহয়
মনৰো যে ভঙা-পতা।
দুখ-ভাগৱত আউজি বহিলোঁ
এজুপি বকুল তলে।
ঘৰৰ লখিমী আগবাঢ়ি মোক
সাৱটি বুকুত ললে।
চকুলো টুকিলোঁ কেওঁ নেদেখিলে,
কি নো বুজিব লোকে ?
নিচিনি চিনিলোঁ নেমানি মানিলোঁ
—নেৰিবি আইহে মোক।

## সংশয় ৰহস্য

শুকুলী হাতীত উঠি গোসাঁয়ে দেখিলোঁ
এন্ধাৰত দিলেহি পোহৰ মেলি,
বিকট কলীয়া এটা দানৱ লৰি আহি
পাতিলেহি ঘূৰি এন্ধাৰ-বেমেলি।
হাঁহি সাগৰত উঠি বেজাৰ ধুমুহা
বুৰালে সহস্ৰ জীৱন-তৰণী
ওফন্দি বিহৰ হ্ৰদ কলীয়া পানীৰ
প্ৰলয়ৰ বান্ধ দিলেহি ভাঙি।
এন্ধাৰে পোহৰে আৰু মৰমে বেজাৰে
সুখে দুখে সান-মিহলিৰ খেল।
ইটো যায় লগে লগে প্ৰাণ নিয়ে টানি
সিটো আহে আনে ধেমালিৰ মেল।
ভঙা গঢ়া, সজা পতা, হৰা জিকা যুঁজ,
দিনে ৰাতি হাঁহি কান্দোনৰ ৰোল।
সঁচা মিছা কিনো, ধৰিম এৰিম কাক ?
সকলো বিষম ভ্ৰমৰ ঘোৰ।

# বিশ্ব ভাৱৰীয়া

যি ভাবে দেখিবা এই সংসাৰ-ভাৱনা
সেই ভাবে গৰাসিব তোমাৰ জীৱন।
হিংসা দ্বেষ চকু দিলে পাবা হিংসা দ্বেষ,
প্রেমতো দেখিবা তুমি মধুৰ মিলন।
তুমি ভালে বিশ্ব ভাল, সবাতো সুন্দৰ,
বিকটালে মুখ কিন্তু বিকট বদন।
তুমিয়েই ভাৱৰীয়া ৰূপে বিশ্ব জুৰি
ক্রীড়িছা হে মানৱাত্মা লীলা দেখুৱাই।
তুমিয়ে তোমাক চাই বখানি নিন্দিছা,
তোমাৰ মহিমা দেৱ, কৈও অন্ত নাই।
আপোন খেলত তুমি আপুনি মগন,
ভাঙিছা পাতিছা, পৰি উঠিব শিকিছা,
সৃষ্টি পাতনিৰেপৰা নীল আকাশত
কিৰণৰ জাল মেলি ডাৱৰ ধৰিছা!
টিপচীটি হৈ উৰি টিপতে লুকাই
গৰুড়ৰ পখা মেলি বিচাৰি ফুৰিছা।

## অতৃপ্তি

প্ৰাণৰ প্ৰাণত কিয় হৈপাহ ইমান !
সংসাৰ তো অতৃপ্তিৰ ঘৰ !
বিচাৰি গোটাই আনি অতনো ৰতন
বান্ধিলোঁহি সম্পদৰ দ'ল।
সকলোৰ সোঁ-মাজতে হৃদয়াসনত
থাপি থলোঁ লখ্মী গোসানী।
বাহিৰ জঞ্জাল পৰা মনক আকলি
ধ্যানত বহালোঁ টানি আনি।
ধ্যানৰ মাজতে প্ৰাণে উচুপি উঠিল
—কিহৰ চিন্তাত হায় ভোল !
ইমানতো কিনো আৰু অসম্পূৰ্ণ ৰল ?
লখিমীৰ নেজানিলে মোল।
অতৃপ্তিৰ নই বই তৃপ্তিৰ সাগৰ
বিচাৰি কেতিয়া পাব—অন্ত ভাগৰৰ।

## আওহেলা

দিনৰ দিনটো খপি মিছা ভাবনাত
সন্ধিয়া উচুপি উঠি বহিলোঁ শয্যাত।
সকলো ওলটে দেখোঁ বিশ্ৰাম বিচাৰি
সামৰি দিনৰ কাম লৱৰি ভাগৰি।
এন্ধাৰ নিৰাশে আহি আধা আৱৰিলে
জীৱনত পোহৰৰ বাকি যি আছিলে।
এতিয়াও দিব পাৰোঁ গোটেই জীৱন
যদি ঘূৰি পাওঁ হায় জোনাক একণ।

## প্ৰাণৰ দৰাটি

হাঁহি চায় কোনে? অই লাহৰী তৰাটি!
বুকুত খেলিছে আজি আনন্দৰ ঢৌ!
আহিব লাগিছে জোন পালেহি নে নৌ?
ভুমুকি মাৰিছে হাঁহি প্ৰাণৰ দৰাটি।

## জোনাকী

এন্ধাৰৰ সিপাৰৰ
পাহৰা জেউতি ফেৰি
বিৰিঙে উষাৰ ৰূপে
অন্ধ আৱৰণ ভেদি।
সোণালী সপোন সোঁতে
আশাৰ প্ৰতিমাখন!
হৰিষ মলয়া বায়ু
ছুই যায় পদুম-চৰণ।
পুৱাৰ মাধুৰী সুৰে
জুৰিলে হিয়াৰ বীণ।
জগতে মেলিছে চকু,
শুনি প্ৰতিধ্বনি ক্ষীণ—
"নহি জ্ঞানেন সদৃশং
পবিত্ৰমিহ বিদ্যতে।"
এন্ধাৰত পোহৰ মেলি
লুকাল গোসানী ত'তে।

## "কূট"

পাহৰা বিলত জানো পৰি আছোঁ মই,
কিহৰ ৰাগীত তুমি আহাঁ ?
কি টোপ পেলাই মোক মাতিছা বান্ধি,
বুজিছা জানো হে মোৰ দশা ?
কি হব নি মোক ভাই মাতি ওচৰলৈ ?
মই আছোঁ কিহবাত ভোল।
তোমাৰ গুৰিত মোলৈ আছে নে হে ঠাই
দিব কোনোবাই মোক কোল ?
মৰমৰ টান দেখোঁ বৰকৈ কঠিন !
মৰম কোমল কোনে কয় ?
"কিলোৱা কুটুম হে কুটুম" কিয় বোলে
বুজিলোঁ অৰথ তাৰ মই।
মাৰা, টানা, কিলোৱা বা যিহকে কৰিবা—
মই যে তোমাৰ, তুমি মোৰ।
কিন্তু মই চিনিও নিচিনা হলোঁ কিয়
কব পাৰা নে হে কূট ঘোৰ ?

## ইচ্ছা

ইচ্ছাৰ বিৰোধে ঘোৰ ভীম শত্ৰু শত
সৰ্বথা জিকিব সিটো ইচ্ছা যাৰ বলী।
জীৱন যুদ্ধত ইচ্ছা প্ৰধান সাৰথি
কি ভয় মৰণে ৰণে ইচ্ছা সৰ্বদলী।

## মই

সংসাৰ মোৰেই পূৰ্ণ দেখোঁ,
আছোঁ মাথোঁ নিৰঞ্জন মই।
নাই তুমি কেওঁ আৰু নাই,
পাৰা যদি হোৱাঁ মোতে লয়।
মই মই মই মাত্ৰ বিপুল সংসাৰ -
মই মই মই সুৰে শুনা
বাজিছে প্ৰাণৰ বীণা তান
মই বিনা আছে নো কি গুণা।

# কিশোৰী

ফুটোঁ ফুটো কৰি কেনে নুমলী কলিটি
সামৰি আধেক, মেলি আধেক প্ৰাণটি,
খন্তেক লুকাই, পুনু ভুমুকনি মাৰি,
লাজ ধেমালিৰ আঁৰে ছোৱালী কিশোৰী।
মিচিকি হাঁহিৰে দুটি নিৰুদ্দেশ ভাৱ
প্ৰেমৰ আহ্বান মন্ত্ৰে ওলাওঁ ওলাওঁ
ওলাই আহিব খোজে নাচি উলাহেৰে
হৃদয়ত বান্ধ খাই বাহু-লতা মেৰে—
বিলাই সৰল প্ৰাণ সমনীয়া মাজে—
খলকনি মাৰি হাঁহি ছয়াময়া সাজে।
দুৱাৰ মুখতে কিন্তু কিনো উতপাত?
লাজে কোঁচ খাই নগল ওলাবৰ সত।
সৰল হাঁহিত পৰি লাজ ছিটিকনি
মলয়াৰ ছাটি পাই বুৰিল পতুমী।
প্ৰেমৰ বাঁহীৰ মাতে, লাজৰ কঁপনি
যিয়পি নীৰৱ শুনো হিয়া থলকনি!
লাজ-শাস্ত্ৰ উত্ৰায়ল নবীন হৃদয়,
কি মধুৰ প্ৰস্তাৱৰ দিছে পৰিচয়!

# মাধুৰী

ফুটোঁ নে নুফুটোঁ কৈ
কুমলীয়া কলিটি—
ওঁঠত লাজেৰে বৈ
মিচিকীয়া হাঁহিটি ।
সামৰি, পাহৰি গৈ—
মেলি আধা প্ৰাণটি ।
উদঙাই ঢাকি থৈ
উঠি অহা বুকুটি ।
সোলকাই মোকলাই
এধা বন্ধা খোপাটি ।
হয় নে নহয় কৈ
আধাফুটা মাতটি ।
শুনো কি নুশুনো ঐ
উটি অহা গীতটি—
ৰিণিকি ৰিণিকি কৈ
কৰবাৰ বাঁহীটি ।
উচুপি নিচুকি গৈ
খন্তেকীয়া ঠেহটি ।
লুকুৱা ভুমুকা কৈ
ছয়ামৱা পেঁচটি
হাহোঁৱেই নে কান্দো কৈ
ছলছলীয়া চকুটি ।

ধেমালি খণ্ডৰ নৈ
মিঠা গাঁঠি থোপাটি
ওলাওঁ নোলাওঁ কৈ—
মন মোহা ঠগটি
“ন যযৌ ন তস্থৌ”
অগা পিছা ভৰিটি ।
সান-মিহলিৰ নৈ
ওভতনি সোঁতটি ।
সাঁথৰ ভাঙনি হৈ
পানী মিঠৈ গোটটি
চাওঁ নে নেচাওঁ কৈ
মৰমৰ দেহিটি,
দেৱী নে মানৱী ঐ
মাধুৰীৰ ছবিটি !

## অনন্তৰ সোঁত

কোন কাহানিৰ কথা, মৰণৰ পাৰে
জীৱনে মেলিলে শাখা।
নিতৌ এপাহি মেলে, অৰুণ কিৰণে
পিন্ধায় ধুনীয়া আশা।
নিতৌ এপাহি সৰে, করুণ নীয়ৰে তিতে,
সোঁতে নিয়ে দূৰ দেশ।
নিতৌ পখীটি আহি শুনায় প্ৰাণৰ কথা,
উৰি যায় দিন শেষ।
ফুটে কি নুফুটে ফুল, সৰে কি নসৰে
—তলে সোঁত অবিৰাম চলিছে সৰ্বতিকাল।

## "ফুলৰ চাকি" ৰচোঁতাৰ প্ৰতি

ভাই,

তাহানিৰ কথা আজি সপোনত উটি
লগত আনিলে এই ফুলৰ চাকিটি।
আদৰ মালতী তৱ মৰমৰ চিন
তুলি থলোঁ হৃদয়ত জীওঁ যত দিন।
আজিৰ কথায়ো দিলে তাহানিক লগ
পুৰণি নতুন হ'ল, সপোন দিঠক।

[illegible]

## সীতা সৰমা

দুখ বেজাৰত আউজি বহিলোঁ
এজুপি অশোক তলে।
মনত পৰিল ৰাক্ষসী পুৰীত
সীতা, সৰমাৰ কোলে—
থাপি নত শিৰ আউলী চুলিৰে
শুনে বীণ সন্তাপহৰা।
দাৰুণ লুনীয়া (সেই) অকুল পানীত
কৰুণ স্বৰ্গৰ ধাৰা।
বীণৰ প্ৰাণটি সৰমা প্ৰাণেৰে
উঠিল সকলো ব্যাপি।
সৰমা ৰাক্ষসী! সৰমা মানৱী?
নহয়, সৰমা দেৱী।

# ফুলা সৰিয়হ ভৰা

সংসাৰ চক্ৰৰ ঘানীত লগাই
কি ৰং চাইছা মোৰ ?
বিষয় পাকৰ পাঘূৰণি খাই—
পৰিলোঁ ভ্ৰমত ঘোৰ ।
কি হব নো হেৰি, ঘানিয়ে ঘানিয়ে
গুটী সৰিয়হ পেৰি ?
তেলিয়ে পেৰিব, জগত যোগাব—
কিয় মোক ধৰা বেৰি ?
দিয়াঁ মোক এৰি, চাওঁগৈ ঘূৰি
ফুলা সৰিয়হ ডৰা ।
সেয়ে আজিলৈকে থৈছে মোক মুহি—
পখিলা পাখিৰে ভৰা—
তাহানিৰ সেই সপোন দিনৰ
ল'ৰালি কালৰে পৰা ।

# কৰ্মদেৱ

কি দেখিছা ?   শিলেৰে বন্ধালোঁ এই হিয়া,
সাধনাৰ অসি হাতে ওলালোঁ এতিয়া।
কৰ্মফল উছৰ্গিলোঁ কৰ্মদেৱলৈ—
শৰীৰৰ ভস্মৰাশি দশ দিগলৈ।
কি ভয় মৰণে ৰণে, নাই, ভয় নাই,
কৰ্ত্তব্য মুকুট শিৰে পিন্ধালে গোঁসাই।
পুণ্যময় তেজকণ উঠক উছাহি—
তেজঃপুঞ্জে প্লাবিত কৰোক শত্ৰুৰাশি।
শক্তিৰ মন্ত্ৰেৰে আৰাধিলোঁ ইষ্টদেৱ,
শক্তিৰ সন্তান মই নোহোঁ আৰু কেওঁ।

## মানৱ বন্দনা

আহিছে মানুহ গইছে মানুহ—
মানুহ ময়াপী জীৱ।
মানুহ সোঁতৰ অন্ত নাইকিয়া—
বুলিলে মৰত কিয় ?
মানৱী জনম দিয়া উটুৱাই
মানৱী কৰম সোঁতে,
মানুহৰ মৰম বুজিবা মানুহে
—ধৰম যে মৰমতে।
মানুহেই লগ মানুহেই সঙ্গ
মানুহেই পৰাৎপৰ,
এই যে পৃথিৱী স্বৰ্গতো অধিক,
মানুহৰ নিজাপী ঘৰ।
মানুহেই দেৱ মানুহেই সেৱ,
মানুহ বিনে নাই কেৱ।
কৰাঁ কৰাঁ পূজা-পাদ্য অৰ্ঘ্য লই—
জয় জয় মানৱ দেৱ !

## হৃদয় সৰগ

কত লওঁ কত থওঁ
নাই দেখা ঠাই।
এনে নো পবিত্র থান
আছেই কি নাই।

স্বৰ্গ কেনে কোনে জানে
সুধিমেই কাক ?
হৃদয়েই মোৰ দেখোঁ
চিনাকি সৰগ।

তাতে মই থম মোৰ
পাৰিজাত পুলি,
মন প্ৰাণ সঁপি দিম
সেৱাত সমূলি।

সদাই সিচিম পানী
প্ৰেম নিজৰাৰ,
একেথৰে চাম ৰই
মুখখনি তাৰ।

ৰ'দ বৰষুণ মই
গাতে পাতি লম
আলসুৱা পুলিটিক
আলাসত থম।

জহত মাতিম বিনাই
মলয়াৰ বাৱ ;

জগত জোনাক মাতি

আনিম আকউ।

মউ-মাখি আতমাই

সাঁচিব বাহতে মৌ,

প্ৰাণৰ প্ৰাণত শুনিম

গুণ গুণ ৰব।

কৰুণাৰ গীত শুনি

সুখ কথা ভুলি,

জগতক বিলাই দিম

প্ৰেম মৌ থালি।

## বনকুঁৱৰী

নিজম দুপৰীয়া সুহুৰীটি মাৰি
মাতিলে নো কোনে কাক ?
বিজন বনত কোন ক'ত আছে ?
হালিছে গছৰ আগ।

গহীন গছত বতাহৰ ছাটি—
পাত কঁপে থৰ থৰ।
হাবিৰ মাজৰপৰা কোনে নো বা
মাতি উঠে 'মৰ মৰ ?'

নিচুক লতিকা গছক সাৱটি—
প্ৰতি অঙ্গে চুমাচুমি।
পাতৰ আঁৰত থাকি কপৌটিয়ে
কিবা কৰে জুমাজুমি !

মৰমৰ গীত জুৰিলে লাজুকি—
মাত ফুটেই বা নাই।
বিৰিখে হাঁহিছে হালিছে জালিছে
নইৰ মুখলৈ চাই।

কিবা কথা কয় নৈয়ে কুলু কুলু
ইয়োটো ধেমালি যিহে !
কোনে চায় নিতৌ বনৰ ধেমালি ?
মাতিলে নো সিটি কিহে ?

গছৰ আগত ময়না পখিটী
মাতি সি নিচুক হ'ল।

শুনো শুনো, শুনিবলৈ বাট চাওঁ,
মনতে হেঁপাহ ৰল।
সিজুপি বকুল,—এই এৰাবাৰী
কোন কাহানি বা গ'ল।
চিন এই ভেটি তামোল লেটেকু—
হ'ল বহু দিন হ'ল।
বাঁহৰ ছঁয়াত গজালি গজিছে
কোন নো ইয়াত ফুৰে ?
জুৰ জুৰ কৰি বতাহ বলিছে
বাঁহৰ মাজে মাজে ঘূৰে।
পাতে পাতে কিবা ফুচ্‌ফুচাইছে
মাৰিছে মিচিকি হাঁহি।
কলাঘুমটীয়া সুখৰ এলাহ
বতাহে সুৱসুৱায়হি।
গাত গা লগাই কপৌ ডুটিয়ে
মুখতে মুখ দি আছে।
অকণি বুকুত ইটিক সুমাই
সিটিয়ে মৰম যাচে।
অকণি ছোৱালী—যক্ষিণী কন্যা
এফেৰি ফুলৰে পাহি
জানৰ কাণত পানী খুৱাইছে
হৰিণা পোৱালি লাহি।
চমকি চায় ৰই থাকে থৰে—
কুমাৰীৰ মুখলৈ চাই,
'কিনো নো চাইছ !' বুলি ছোৱালীয়ে
গালতে হাঁহি চৰায়।
তুখোজতে লৰি পালেগৈ ঘূৰি
যক্ষিণী কুমাৰী মাজে,

আঁহতৰ তলে নাচিছে দুজনী
পিন্ধি বনফুল সাজ ।
মুকলি চুলিৰে নাম গায় ঘূৰি
চাপৰি টুক্ টুক্ টুক্ ।
ৰূপহীৰ মেল দেৱযোনি খেল
মানুহে নেদেখা মুখ ।
খিল্ খিল্ হাঁহি গল দিহাদিহি
চিঙ্গে ফুল কতোজনী ।
কপৌৰ বাঁহলৈ উবি গ'ল কোনো,
দিলে গৈ চুমা একণি ।
খোপাত পিন্ধিছে বনৰ পখিলা,
আটাই আপোন ধন ।
বন ফুলৰ মৌ পিছে কোনোৱে বা,
শান্ত হ মানুহ মন ।
কি দেখিছ মৌ শ্যামল পাটীত
ছঁয়াত বা কিনো চাম ।
নীল চুলি মেলাইছে কোনে নো বা—
মুখনি উজল শ্যাম ।
মৰকত মণি জিলিকে শিৰত—
দেৱী হব বন কুঁৱৰী ।
মুকুতাৰে অঁৰা লগতে ইজনা
জলৰ দেবী নীয়ৰী ।
চুলি বান্ধি দিছে কুঁৱৰীৰ মেলি,
খোপাত আৰিছে মলা,
আগতে অলেখ বনফুল ৰাশি
ৰূপেৰে গোন্ধেৰে ভৰা ।
ঝুৰুঝুৰু কৰি আনিলে নতাহে
উৰাই কেতেকী পাখি,

মল্‌মলাই গ'ল দিশ বিদিশ
মাতিলে বতাহে হাঁহি—
"মৰম ভিখাৰী, বিচাৰিছোঁ দেৱী
প্ৰাণৰ অমিয়া মাধুৰী।"
মিচিকনি মাৰি হাঁহি দান দিলে
তুয়ো প্ৰকৃতি কুঁৱৰী।
অথিৰ বায়ুৰ শিঁয়ৰিল নোম,
উছলাইছে গৈ জান
কাৰণ-নেদেখা আনন্দৰ ঢৌৱে
বুৰালে প্ৰাণীৰ প্ৰাণ।

# সৰা পাহি

কৰ'বাৰ এছাটি বতাহে
আয়ুফুল পাহিটি বিলালে,
পেলালে সৰাই, ইও উৰি গ'ল।
উঠি নামি ঢউ খাই খাই
ধীৰে ধীৰে শূন্যতে হেৰায়।
স্তম্ভিত জীৱনো তেনেকৈয়ে ৰ'ল।
সৰা পাহি গ'ল সৰি,
কোনে তাক চাব ঘূৰি ?
—নতুনতে সবাওটি ভোল।
সুখৰ দুখৰ কথা
সাঁচি বুকু মাজে বেথা
পাব পাহি অনন্তৰ কোল।
অনন্ত কোলাত কি সুখ কি দুখ।
—নেজানে গুণেই সকলো বিমূখ।

## নীয়ৰ

মুকুতা মণিটি পাহিত জিলিকে
ফটিক পানীত ধোৱা।
নিশাৰ তৰা এটি সৰিয়েহে আছে
সৰগত টোপনি যোৱা।
নিজম আকাশৰ নিচুক কথাটি
হিয়াত থৈছে সাঁচি।
কোন-কাহানিৰ সপোন দেখিছে
কোনে হাঁহিছিল নাচি।
ফুলনিত কোনে নিশা নাচিছিল,
ছিগি ৰই গ'ল মণি।
ৰঙ্গিলীৰ ভাৱ হাঁহি নাচোনৰ
ৰ'ল চিন এইকণি।
ৰাতিৰ ধেমালি জোনৰ নিফুট
হাঁহিৰে থইছে সানি।
পুৱাৰ হেঙ্গুলি বেলিটিলৈ চাই
এটুপি চকুৰ পানী।
নীয়ৰ কলিৰে শোভে ফুল জুপি—
চাইছোঁ ভাবতে ভাহি,
হায় কি বিষম পেলালে বায়ুৱে
জোকাৰি ফুলৰ পাহি।

# মায়া

মধুৰ মোহিনী মাত পৰিল কাণত,
ৰূপৰ প্ৰতিমা মোৰ নাচিছে হিয়াত।
গা মোৰ শিয়ঁৰে পাই কাৰ পৰশন ?
চুমাৰ সোৱাদে হৰে মুখৰ বচন।
নিশাহত আহে উৰি কিনো ফুল ৰেণু
গোন্ধে ভৰপূৰ মোৰ প্ৰতি সুখ-অণু।
মায়াজাল বিস্তাৰিলে সংসাৰ সুন্দৰী
পেলালে মেৰাই মোৰ আতমা আৱৰি।

# আশীৰ্বাদ

শ্ৰীমতী—আইটী প্ৰাণাধিকাষু—

মুকলি-মুৰীয়া জীয়াৰী জীৱন এৰি
কলৈ আজি যাবলৈ ওলালি ?
মাৰৰ মৰম আদৰকো কাতি কৰি
ইমান নিৰ্দয় কিয় হলি ?
সংসাৰৰ বিচিত্ৰ গতিত পাহৰিলি
ধূলি ধেমালিৰ ভাইটিকো ;
গহীন মুখৰ ভাৱ দেখি আজি তোৰ
জানিলোঁ নহয় স্থায়ী একো।
স্নেহে ঢকা সংসাৰৰ তত্ত্ব কোনে লব,
মৰমৰ ছঁয়া-বাজি চাব ?
দেখিছোঁ যি এয়ে ৰূপ নহয় ইয়াৰ
—কত ৰঙ্গ ধৰিব, সলাব।
হাঁহি খলখলি গৈ কান্দিবও পাৰে,
ধেমালিৰে চলেনে সংসাৰ ?
ধেমালি ! ধেমালি মাথো গোটেই জগত,
এদিনতে একুৰি বছৰ !
আকাশ তলত মোৰ ধেমালিৰ ঘৰ—
বিশ্বৰ চোৱালী ল'ৰা সঙ্গী,
ভাই ভনী লই মোৰ সংসাৰৰ খেল
কোনে চাব মোৰ ভাওভঙ্গী।
হাঁহি মাতি নাচি বাগি কৰিলোঁ কোঢ়াল,
ফটাকানি কন্যা বিয়া দিলোঁ।

দিলোঁ, থলোঁ, ললোঁ হৃদয়ত কিন্তু থাপি
মৰম প্ৰতিমা সাঁচিছিলোঁ।
মুকলি চুলিৰে মোৰ বাঢ়িলি আইটি
আমাৰেই ঘৰটি শুৱাই,
কাক নো আনিলি তই কৰিলি আপোন
—তোকেহে গ'ল গৈ হায় লই!
ধেমালিৰ সেকা মোক দিলে আহি কোনে,
তয়ো মোক এৰি যাব খোজ!
ঈশ্বৰৰ জীৱ দিব ঈশ্বৰেই দিহা
কিয় মোৰ মনাই নুবুজ?
সংসাৰত ঈশ্বৰৰ কাৰ্য্য কৰিবলৈ
মানুহক দিবলই ছুঁয়া
ঘৰি এৰি গলি তই—কিহৰ বেজাৰ?
বিশ্ব জুৰি মলিয়াওক দয়া।
সংসাৰ মৰুৰ শ্যাম বটবৃক্ষৰূপা
সন্তাপীৰ সুখ পাপীৰ ত্ৰাণ।
পুণ্যবাট দেখুৱাঁতী সৰগ জীয়াৰী—
আগ বাঢ়া কৰি শান্তি স্নান।
তৃষিত মৰত মুখে ঢালিবা পীযুষ,
অন্ন দিবা অন্নপূৰ্ণা হই—
গৌৰী সতী আই মোৰ নোলায় যে কথা
কিনো দিম অকিঞ্চন মই।
কিবা আছে মোৰ? দুখীয়া হৃদয় মোৰ
চকু পানী টুপিহে সম্বল।
"সুন্দৰ মুখৰ দৰে সুন্দৰ জীৱন"
হোক তোৰ—এয়ে ধন বল।

# জলকুঁৱৰী

পুৱঁতী নিশাৰ ডাক নাই পৰা--
নীৰৱ বিশ্বৰ বাঁহী।
কোনোবা লোকৰ নিমাত প্ৰাণীয়ে
হাঁহিছে নিফুট হাঁহি।

পথালি চকুত এন্ধাৰ এন্ধাৰ
তৰাই তৰালৈ চায়।
তলত পানীৰ দাপোনলে চাই
হাঁহিছে মিচিকিয়াই।

শেষ নিশা কেনে ৰ-লাগি ৰইছে
লগৰীয়া কোনো নাই।
ভয়ক চঁকাই ফুচফুচাই কোন
এন্ধাৰে এন্ধাৰে যায়

গহীন পাৰত গহীন বননি—
কি সৰে গছৰপৰা ?
হুৰ্‌ হুৰ্‌ কৰি কিবা গ'ল উৰি—
খক্ খক্ মাতে ৰাতি-চৰা।

ভাবিতে লাগিল তথা বসুন্ধৰা—
এৰিলে নিশাহ এটি,
শিয়ঁৰে বনৰ গছ পাত লতা,
কঁপিছে বতাহ ছাটি।

উষাৰ জাননী দিলে তীক্ষ্ণস্বৰে
পূবত বাঙলী হাঁহি।

জুমুকি মাৰি চাইছেহি কোনে,
উটি আহে ফুল পাহি।
কলৈ যায় সৌ ফুলৰ পাহিটি
ছিঙ্গিনো উটালে কোনে?
কি বাতৰি যায় ফুলাম নাৱ বাই
কোন বা কুঁৱৰী পোনে?
কি খেল খেদিছে, কোনে বা কাক
পছিম ফাললৈ চায়?
কোন আছে তাত, কলৈ বা পঠায়,
বাতৰি পায় নে নাই?
ঢৌৱে ঢৌৱে কেনে ফুল-নাৱখনি
ৰাজহংসে নিছে টানি,
ফুলে ফুলে ফুলি পদুমী কুঁৱৰী
শিৰত নীয়ৰ মণি।
ৰঙা হাত ভৰি ৰঙা মুখখনি
কাঞ্চন উজলা চুলি।
নাচিছে আটাই দিগম্বৰী বালা
গাইছে প্ৰভাতী বুলি।
নাগবালা শাৰী ধৰিছে চাপৰি
শুনিয়ে আনন্দ মিলা
মানুহ লোকৰ নোহে ৰূপ খেল
নজনা বিচিত্ৰ লীলা।
এন্ধাৰে পোহৰে মিলন মাধুৰী
ৰূপৰ ধেমালি দৰা।
কিবা কি বিচাৰি কেজনী বুৰ দি
উঠিল পানীৰপৰা।
মুকুতাৰ মালা আঁৰি হাঁহ গলে,
চুমাৰে ৰঞ্জিলে ঠোঁট।

এৰা পাই হাঁহ ফুৰিছে বনাই
চৰিছে দুদুটি গোট ।
কতোজনী গই পদুমৰ ৰেণু
ঘঁহিছে সৰ্বাঙ্গময় ।
ৰাঙ্গলীজনীয়ে চিঙ্গি পদ্ম-চুলি
মুঠিয়ে মুঠিয়ে লয় ।
অথিৰ চঞ্চল ইজনীয়ে হাঁহি
সিঁচিছে হাঁহলৈ পানী ।
সখীলৈ এছাটি মাৰিয়েই আকৌ
বুৰিল টুপুকীজনী ।
মৰম পিয়াওঁ বুলি কতোজনী—
হাঁহক পিয়াহ দিয়ে ।
পদুম পাতত উঠি ডিঙি ধৰি
হালে-জালে দুজনীয়ে ।
কেতেকী চৰায়ে ক'ত কি ক'ত কি
দিলেহি দিনৰ হাক,
ফুলাম ছইৰ তলৰপৰা কোনে
মাতিলে মৃদুল বাক ?
বীণৰ জেঁাকাৰ মলয়া বতাহে
উটাই আনিলে যেন,
জলৰ কুঁৱৰী কুঁৱলী সাজেৰে
পৰ্বত জীয়াৰী হেন ।
গলত হীৰক, খোপাত মাণিক,
হাঁহিত মুকুতা পান্তি,
নীলোৎপল হাতে চৰণৰ পাশে
শঙ্খৰ ধৱল কান্তি ।
সুদূৰ পূৰ্বত উষাদেবী সতে
মিলিল কুঁৱৰী গই,

মিলন হাঁহিৰে উজলি চৌদিশ,
লুকাল পোহৰময়ী।
আনন্দলহৰী নাচি পৰি হাঁহি
গাইছে কুলুলু তান।
বেলিৰ কাঞ্চন পোহৰৰ চৌৰে
উটালে প্ৰাণীৰ প্ৰাণ।

# তেজীমলা

তেজ্ গোৰা বেলি জিলিঙনি মেলি
সাৱটিব আহি ধৰা।
পুৱাতে মলয়া উঠি ছঁয়াময়া
বোলে উঠঁা তেজীমলা!
মেঘ-মলা ৰঙা পিন্ধি দিগঙ্গনা
সিঁচিছে আশাৰ ধাৰি
উত্ৰাৱল পানী, ৰঙা হাঁহি সানি
খলকিছে ছুই ভৰি।
ৰূপতে ৰূপ তুলি পাৰিজাত ফুলি
—তেজীমলা জকমকায়!
চৌপাশে বেৰি মৰমে সাদৰে
পানীৰ লতা বগায়।
মানুহ কুটুমে দলিয়াই পেলালে
কাক নো কুটুম পালি?
মৰম বেথাৰে আজলী কুঁৱৰী
এটাইকে নিজা কৰিলি।
তোৰে পানীৰ চৰাই সাঁতুৰি ফুৰিছে
কতো বা উৰিছে বনাই।
মলয়া বায়ুৰে মিতিৰ পাতিলে
—ঘৰৰ হে বাতৰি নাই।
দুপৰীয়া বেলি পানীয়ে উছালি
সিঁচিছে মুকুতা তৰা।

ফটিক পানীৰ মাজে মাজে ধীৰ
চৰিছে পোৱাল দৰা।
সোণ-ৰূপ মাছ আহিছে গইছে,
ঘৰ-পোহনীয়া তোৰে।
মনত পৰে নে পাৰজুৰি তোৰ
মাতিলে হাততে পৰে?
ফুলনি শুৱনি পৰিয়েহে আছে
চৰে নে হৰিণাজনী?
কোনে ভুলাইছে মৰমৰ তোৰ
শাৰঁলী পোৱালিকণি?
সখীৰ বাতৰি কোনে কব পাৰে
—তোৰ জীৱনৰ লগ।
মৰমৰ সখী আঁতৰালে কোনে
আকৌ নে মিলিব সঙ্গ?
কুমাৰী ছোৱালী কুটুমে পেলালে
দলিয়াই মৰম ফেৰি।
মানুহে মানুহে ইমান হে মৰম
চকু-লো পৰে সুঁৱৰি।
মানুহৰ চোতালত মাধুৰী ফুটিলে
মানুহে নিচিনি হায়!
পাৰি তুলি ছিঙি মোহাৰি পেলালে,
মানুহৰ মৰমো নাই!
মৰমৰ পানী নোহোৱা ঠাইত
কেনেকৈ বিশ্বাস থয়?
সেয়ে তেজীমলা দূৰতে শিপাই
পাৰিজাত হই ৰয়।
শকত বান্ধেৰে তলীৰে সইতে
বান্ধিলে নিছিগা কৰি।

ধুমুহা বতাহে খণ্ড ৰাগে আৰু
কিটো নো কৰিব পাৰি !
সিদিনা সন্ধিয়া দৰে আজি কিয়
তেনেকুৱা কৰে মন ?
বেজাৰত মাৰগৈ বেলিটিয়ে তোক
দিছিলে যে বিসৰ্জন ।
আজি পুৱাই বেলি হাঁহি চকু মেলি
পঠালে বাতৰি কিবা,
চিকুণ নাওখনি আশাৰে উজলি
আহিছে উধাই বা ।
মানুহৰ নাও মানুহৰ ভাও
দেখি যে লাগিছে ভাল
মানুহ মিত্তিৰ বৰ মৰমৰ—
পাতিছে কিহৰ জাল ?
গহীন মুখনি মৰমেৰে সনা
মোৰেই তো দেৱতা এওঁ ।
কেলেই লাগিছে মানুহৰ লগ
—আহিয়ে দেখোঁ ধৰেও ।
"হাতো নেমেলিবি, ফুলো নিছিঙিবি,
ক'ৰে নাৱৰীয়া তই ?
মানুহে ফুলৰ কিজানে আদৰ ?
তেজীমলাহে মই ।"

# সুখগীত

জিলিকা পাখিৰে হাঁহে ৰবিৰ কিৰণ
জিলিকি পখিলা নাচি ফুৰে অগণন।
যতনৰো জিলিকনি চোৱাঁ হেৰা চোৱাঁ
সোণালী ৰেণুৰ মউমাখি ভাৰ বোৱা।
জীৱনৰো আলিকাযে ফুৰিছে উফৰি
জিলিকি স্বপ্নৰ সুখ—মৰম লাহৰী।
স্বপ্ন গুচি এয়ে সচাঁ চকুৰ আগত,
যদি চাব জানা এই সুন্দৰ জগত।
চোৱাঁ যেন চোৱাঁ হেৰা জিলিকনি-মৰা
সংসাৰৰ সুখবোৰ উৰি উৰি ফুৰা!
নখে মাটি লেখা খোজে তলমূৰ হই
নুফুৰিবা পৃথিৱীত পখিলা নেচাই।

## সুন্দৰ

সম্মোহনী বীণ বাই আজি কি বিচাৰে
দুৱাৰে দুৱাৰে সবে ভিক্ষাৰীৰ বেশে ?
সুন্দৰ সুন্দৰ ৰৱে বীণৰ জোকাৰে
সোধাসধি পৰি গ'ল দিশে চউদিশে।
সুন্দৰ সুন্দৰ বুলি বিয়াকুল নৰ—
মন্ত্ৰমুগ্ধ—সুন্দৰক যেয়ে দেখে যতে।
নুশুনে আৰাৱ আৰু নিজৰ বীণৰ,
সুন্দৰ প্ৰতিমা মাথোঁ প্ৰাণৰ প্ৰাণত
চায়েই থাকিব খোজে হেজাৰ বছৰ,
শিকিবলৈ তাৰ ভাৱ হেঁপাহ হিয়াৰ,
পূজিবলৈ দিব তাকে হিয়া উবু'ৰাই
সংসাৰত তৃষ্ণা শান্তি আছেই বা নাই ?
বিচাৰোঁ সুন্দৰ মই নিজে অসুন্দৰ !
আৰাধি সুন্দৰ হায় হম নে সুন্দৰ ?

# জোনাকী
## ( কবিতা-জাল )

উষাৰ হাঁহিটি ৰঞ্জিলে পুৱত
কৰ বা ধেমালি কথা
নিমিষতে নামি বসুধা জুৰিব
—প্ৰকৃতি খন্তেক তথা।
সোণালী সোঁতত সাতুৰি নাদুৰি
উঠে আহে সমীৰণ
প্ৰকৃতিৰ ঢকা বুকু উদঙাই
পিন্ধালে মুকুতা সোণ।
পৰ্বতে পাষাণে অৰণ্যে আকাশে
বিমানে স্বৰ্গীয় বিভা।
ৰুণ্ ৰুণ্ ৰুণ্ গছ পাত লতা
আহিছে বাতৰি কিবা।
সপোন ৰাজ্যৰ কত যে কুমাৰী
মলয়াত উটি আহে
স্বপ্নৰ আবেশে পখিলাৰ দৰে
নাচি হাঁহি লাহে লাহে,
নীল আকাশত বগলী পাখিৰে
মেঘ হে নামিছে ধীৰে,
কুঁৱলী বিয়পা স্বৰগৰ দৃশ্য
ছঁয়াময়া গিৰিশিৰে।
পাহৰা ৰাজ্যৰ এন্ধাৰ চুকত
মানস সৰৰ মাজে

প্ৰফুল্ল অখিৰ আনন্দ কমল
অপূৰ্ব সুন্দৰ সাজে।
পাহৰণি কোলে অত দিন পৰি
আছিল নিমাতী বীণা।
কোনে ভাবিছিল এই বীণখনি
বাজিব নে কোনো দিনা ?
আজি মাত-ফুটা প্ৰাণৰ বীণৰ
তন্ত্ৰীত পৰিল টান,
আকাশী হাতৰ গম পাই উঠি
মুকলি হইছে প্ৰাণ।
গুণ্ গুণ্ কৰি বীণৰ প্ৰাণত
উঠিল আশাৰ সুৰ।
স্বৰ্গীয় ভাবৰ প্ৰতিধ্বনি তাত
আজি মউ ভৰ পূৰ।
পাহৰণি পমি মধুৰ ৰূপত
মিলি যায় স্মৃতি সতে,
কিবা দৃশ্য আজি মানসৰ তীৰে
স্বৰগ দেখি আগতে।
সঞ্চলিছে ঘনে ভাব ঢউবোৰ
ধৰিছে মৃতুল তাল।
চপলা কল্পনা কুমাৰীবিলাকে
গুঁথিছে কবিতা-জাল।
অফুট সুৰেৰে হাঁহিছে গাইছে
—নুশুনা স্বৰ্গৰ গীত।
ধেমালিৰে প্ৰাণ ধেমালি-মগন
হৰিছে মানুহৰ চিত
ছাঁয়াময়ী কবিতাৰ আবৰণে
শোভে মানসী প্ৰতিমা,
তুলি লৈ সেই হৃদয়ৰ বীণ
বৰষিছে মধুৰিমা।

# বীণ-বৰাগী

## আৰু অন্যান্য কবিতা

# বীণ-বৰাগী

॥ ১ ॥

শুনিবা প্ৰাণৰ বীণখনি মোৰ,
আহিছোঁ ভাগৰে-দুখে
বেজাৰৰ কথা কৈও অন্ত নাই,
মাতও নুফুটে মুখে।
দুখ-ভাগৰৰ অন্ত তোমাতেই,
সন্তাপ আঁতৰাই নিয়া—
তোমাতে আশ্ৰয়, তোমাতে নিৰ্ভয়
তোমাতে নিচুক হিয়া।
লক্ষ হৃদয়ৰ লক্ষ দুখকণা
বান্ধিছা একেটি সুৰে,
তোমাৰ প্ৰাণেৰে মহাপ্ৰয়াণত
দুখো সুখ হৈ পৰে।
সুখৰ দুখৰ মিলনৰ ৰেখ
মাৰ গ'ল কোন পিনে?
দুখৰ লগতে সুখ ধৰা পৰে,
সুখ-দুখ কোনে চিনে
ৰায়ুৰে সৈতে যি খেল তোমাৰ
পৰশে হৃদয় তলি,
চৈধ্য ভুবনৰ মিলনৰ ঢৌ
বায়ুৰে ফুৰিছে খেলি।
উঠি হৃদয়ত লীন হয় ক্ষণে
দৰিদ্ৰৰ মনোৰথ,

উধায় কল্পনা, অসীম জগৎ
ধৰিছে আকাশী-পথ।

বিচাৰিছে প্ৰাণে যি ধন-সম্পদ
উতলা যিহৰ লাগি,
এয়ে সেই যাৰ আশাতে হৃদয়
আছে নিশি-দিন জাগি

মুকলি মনৰ মানৱী মূর্তি
অকলঙ্ক মধুৰিমা,
দিব্য দৃষ্টি এয়ে সচেত সপোন,
—নাই সপোনৰো সীমা॥

কিনোনো কৈ যাম, কিনোনো শুনিবা,
দুখৰে উপৰি দুখ।
কুকুৰে কামোৰে, ছৱালে দলিয়ায়,
কতো নিমিলে সুখ,
দুখীয়াৰ কথা কোনেনো শুনিব ?
শুনিও নুশুনে কেৰেঁ,
পদূলিৰে পৰা খেদি পঠিয়ায়,
বলিয়া বুলিহে হাঁহে।

কাকেই বা ক'ম, কোনে পতিয়াব ?
শুনিবা প্ৰাণৰ বীণ !
তোমাতে আশ্ৰয় মাগিছোঁ হে দেৱি,
বৰাগী দুখীয়া দীন।

মনে মনে কম মনৰ কথাটি,
মনৰ তলিত গঁথা,
তোমাৰ হিয়ালৈ ববহে নিজৰি
সন্তাপী হিয়াৰ কথা।

প্ৰাণৰ প্ৰাণত দুখীৰ দুৰ্দশা
বাজিছে আপোন ৰাৱে,
জগৎ জুৰিব, তোমাৰ হিয়াত
পৰি প্ৰতিধ্বনি ভাৱে।
দুগুণ শুৱলা দুগুণ সুন্দৰ
ফুটিব মুখৰ মাত,
দুগুণ সাহেৰে দুগুণ শকতি
পামহে দুৰ্বলী গাত॥
নুশুনা লোকেও শুনি ৰৈ যাব,
শুনিব দুখৰ কথা,
এখন্তেক ৰ'ব, শুনি পমি যাব,
বুজিব বেজাৰ-ব্যথা।
শুনা তেন্তে শুনা, শুনা দেৰি শুনা,
কৈ লঘু হক হিয়া,
নোৱাৰোঁ বব বেজাৰৰ ভাৰ,
দিয়াঁ পাতলাই দিয়াঁ।
গোটেই সংসাৰ দুখৰ বোজাটো
নহয় যে এলাপেচা,
সেয়ে প্ৰতি ক্ষণে খুন্দিয়ায় মোক,
বুকুত গধুৰ হেঁচা।
তোমাৰ বিননি শুনি থৰ হয়
পশু-পখী গছ-লতা
লুইত উজায়, জোন তধা লাগে,
মানুহৰ কিবা কথা ?
হুমুনিয়াৰাশি মৰম পৰশি
তোমাৰো বিদাৰে হিয়া,
সৰগৰ বীণ লৱণুত অধিক
কোমলৰো কুমলীয়া।

মানুহৰ দুখ বুকুত সুমাই
লইছা যতন কৰি,
অমৃতৰ ধাৰা শান্তি ছটিয়াই
লইছা সন্তাপ হৰি।
একৰ দুখক এশত ভগাই
পাতলোৱা দুখ ভাৰ,
মানুহ প্ৰাণৰ এশ সুঁতি আনি
বোওৱাঁ একেটি ধাৰ,
গোৱাঁ দেৱি গোৱাঁ প্ৰাণৰ কথাটি
শুনক জগতে গোৱাঁ।
গোৱাঁ আজি মোৰ প্ৰাণৰ ধাউতি
প্ৰাণে প্ৰাণে মিলি গোৱাঁ।
তোমাৰ সুৰতে প্ৰাণ লীন গৈ
উঠক সকলো ব্যাপি,
প্ৰাণে প্ৰাণে মিলি হিয়াৰ কথাটি
তোমাতে দিলো যে সঁপি ॥

॥ ২ ॥

সুখ সুখ বুলি ফুৰিলোঁ বিচাৰি,
সুখৰ দেখাদেখি নাই,
পাই পখিলাটি সুধিলো এদিন
সুখ কেনেকুৱা ভাই ?
থাপতে চিলাই নিলেহি উৰাই
সুখ কেনে কোনে কয় ?
কোৱাঁ বীণ কোৱাঁ সুখ কেনেকুৱা,
—কতো সমিধান নাই।
সুখ বোলে হেনো সংসাৰৰ সাৰ,
ওলালোঁ জোলোঙা লৈ,

সংসাৰখনৰ দুৱাৰে দুৱাৰে
ঘূৰি খেদা খাওঁ গৈ।

হে প্ৰাণৰ বীণ! যি দেখিলোঁ আৰু
কৰলৈ লাগিছে বেয়া,
দুখীয়াৰ দুখ দুৰ্বলীৰ শাস্তি
দেখি ফাটি যায় হিয়া।
দেখিলোঁ কেনেনো নৰ-সমাজত
বিষম জঞ্জাল হায়!
মানুহে মানুহে পৰতকৈ পৰ,
এফেৰি মৰমো নাই।
নিছলা দুখীয়া দেখিলে ঘিণায়,
ডাঙৰৰ ডাঙৰ ভেম,
বলীৰ ভয়ত কোচমোচ খায়
নিঃকিনৰ পৰম যম
ঘৰে ঘৰে চোৰাঁ মিলা-প্ৰীতি নাই,
খোলাকটিতেহে প্ৰাণ,
ধন-সোণ সাঁচি ধন ধন কৰি
এৰিলে ধৰম জ্ঞান।
কোঢ়াল-কন্দল হাই-উৰুমিৰে
পৰ মানুহৰ ঘৰ,
কণাকড়ি এটালৈকে লাগে দ্বন্দ,
নেজানে আপোন-পৰ।
সোৱাদ নজনা মাতোটি মুখৰ,
বেজাৰ দিবহে পাৰে,
জীৱনক কৰি তিতাৰেই পুৰ
আপদ চপাই মাৰে।

কুটুমেই ৰান্ধে, কুটুমেই বাঢ়ে
কুটুমে কুটুমক খায়,
কুটুমৰ তেজেৰে বন্তি জ্বলালে
—মজিয়া ভকেভকায়।
মানুহৰ তেজ শুহি শুহি খায়
মানুহ ৰাক্ষসে চোৰাঁ—
চোকা চোকা মাতে বিন্ধে প্ৰাণলৈকে
নুবুজে আনৰ হিয়া,
এবিধ চোৰাঁচোঁ মুখৰ সোৱাদে
জিনিলে জগতখন,
হলাহল বাকি পিছেহে শুহিব
লোকৰ প্ৰাণৰ ধন।
ফুলনিৰ ফুল লখিমী জীয়ৰী
দলিছে ভৰিৰে হায়
সৰগী বস্তুৰ কি জানিব মোল?
—পৃথিৱী পাপৰ ঠাই।
ধৰ্মৰ নামত অধৰ্মৰ বেহা
দেখিলে বিৰাগ হয়,
ধনৰ লোভত পাপ সত্ৰ পাতি
কপটী গুৰুৰ জয়।
ভাটৌৰ দৰে আওৰাই শাস্ত্ৰ
ফুৰে গিয়ানী বোলাই,
এজন যে আছে সকলোৰে সাক্ষী
অলপো নকৰে ভয়।
হে প্ৰাণৰ বীণ! কি শুনিবা আৰু
দুখৰে উপৰে দুখ,
দুখৰে পোহাৰ—সংসাৰ মেলা,
নাই নাই নাই সুখ।

নিঃকিনলৈ কিয় দুখতে দৰ্দশা ?
—নিৰ্দয় বিধান ইটো,
দুৰ্বলীৰ গতি জীয়ন্তে মৰণ ?
কিয় নখণ্ডিব সিটো ?
নেলাগে কুটিল সংসাৰৰ পথ
নেলাগে চাপৰ ওখ,
আলেখৰ লেখ নেলাগে সম্পদ
নেলাগে বিষয় সুখ।
নেলাগে সমাজ, নেলাগে সম্ভ্ৰম,
নেলাগে মানীৰ মান,
কৃপাও নেলাগে, ভিক্ষাও নেলাগে
নেলাগে পাপীৰ দান।
প্ৰলয়ৰ দিন ঘোৰ ভয়ঙ্কৰ
আহক পাপীৰ ত্ৰাস,
জল থল সম, নাই তল বাম,
সুখ-দুখ হা-হুতাশ।
আঙুলি বুলাব জনা হলে আজি
পেলালোহেঁতেন টানি,
হিমালয় চূড়া বুৰালোঁহেঁতেন
উছালি কলীয়া পানী।
আকাশৰ তৰা নমালোহেঁতেন
থপিয়াই লাখে লাখে,
জোন বেলি গ্ৰহ পেলালোহেঁতেন
দলিয়াই জাকে জাকে।
পাপৰ মজিয়া নিয়ালোহেঁতেন
আঠাই সাগৰৰ তল,
ব্ৰহ্মাণ্ডৰ চিন থাকিলহেঁতেন
মাথোঁ সমুদ্ৰৰ জল।

মান অপমান চৌৰাই যাওক
পৃথিৱীৰ পৰা গুচি
নতুন সৃষ্টিৰ অৰুণ কিৰণে
কৰোক সকলো শুচি।
দুখ লাজ ভয় নাথাকিব আৰু
—নতুন জগৎ সিটো,
হেৰোৱা বীণৰ আনন্দৰ সুৰ
ৰাজিব দিনৰে দিনটো।
দুখ দূৰ কৰি জগৎ উদ্ধাৰ
কৰাঁহে জগৎস্বামী !
নীচ হৃদয়ৰ নীচ অহঙ্কাৰ
হওক অধোগামী।

॥ ৩ ॥

আগতে সন্ধিয়া, দীঘলীয়া ৰাতি,
বাটৰ পৰা নাই ওৰ,
বিশ্ৰাম বিচাৰি গছৰ তলত
বহিল বৰাগী মোৰ।
দিনৰ পিছত সন্ধিয়া আহিছে
খণ্ডিছে ভাগৰ দুখ
পৰিছে পাছত, আছেও আগত
যুগৰ উপৰি যুগ।
বাটৰ আগত বাটি বাঢ়ি যায়,
খন্তেক জিৰণি আহে,
খন্তেকতে মোৰ অন্তৰ সুখৰ
সোনালী সপোন হাঁহে।
স্খলকিছে লাহে সংসাৰৰ বান্ধ
মুকলিছে মন মোৰ,

মুকলি আকাশ, মুকলি, মুকলি
প্ৰকৃতি আইৰ মুৰ।
দিয়াঁহে মুকলি কৰি মোৰ প্ৰাণ,
দিয়াঁ দেৱী দিয়াঁ দিয়াঁ,
দিয়াঁ দিব্য চকু, বিমল জেউতি,
দেখি উধাৱোক হিয়া,

সুখৰ সঙ্গীত গোৱাঁ, দেৱি গোৱাঁ
জগত নিচুক হোক,
দুখ দন্দ শোক পাহৰি কোঢ়াল,
শান্তিৰে বুৰোক লোক।

দেখিছোঁ পৃথিৱী স্বৰ্গতো অধিক,
মানুহৰ নিজাপী ঘৰ,
মানুহেই দেৱ ইহজগতৰ
মানুহেই পৰাৎপৰ।

মানুহৰ প্ৰীতি সাধিবলৈ চোৱাঁ
বিশ্ব জগৎ কল্পনা,
আল ধৰিবলৈ সহস্ৰ প্ৰদীপ
আৰতিৰ ধূপ-ধূনা।

ফল ফুল জল চন্দন ভূষণ,
মলয়াৰ শীতলী বা,
মানুহ সন্তোষ হক বুলি চোৱাঁ
আছে যত লাগে যিবা।

হাঁহিছে মানুহে, কান্দিছে মানুহে,
পাতিছে মানুহে প্ৰেম,
ধূলিতে উদয়, ধূলিতে বিলয়,
ধূলিও স্বৰ্গীয় হেম।

॥ ৪ ॥

মোৰেই জগৎখন মোকেই মাতিছে,
গৃহস্থলৈ আলহীৰ আসন পাতিছে।
মোৰেই বচন হৰি মোকে আদৰিছে,
চিৰচিনাকিৰে নকৈ চিনাকি পাতিছে।

মোৰেই বাতৰি আনি মোকেই শুনায়,
মোৰ বেহানিৰে দেখোঁ মোকে ফুচুলায়।
মোৰ দাপোনতে মোৰ মুখ দেখুৱায়,
মোৰ মুখাকেই পিন্ধি সুন্দৰ বোলায়।

মোৰেই সেন্দুৰ, তেল মোৰ মূৰত ঘঁহে,
মোৰ পৰা ধাৰে নিয়া ৰূপেই মোক মোহে।
মোতে শিকি দেখুৱায় মোকে মোৰ ভাৱ,
মোৰেই বাঁহীটি কাঢ়ি বজাওঁ বজাওঁ।

মই অঁৰা চন্দ্ৰতাপ মোৰে মৰত থয়,
জোন বেলি তৰা মাথোঁ হীৰা মুক্তাময়।
মোক এৰি জগতে নো কিবা কথা কয়,
অনাদি পুৰাণ মোৰ আজিলৈকে ৰয়।

ময়ে পতা ৰাজ্যখন ভাঙি আকৌ ময়ে,
ডাঙৰ ৰাজ্যৰ সৃষ্টি পাতোঁ নতুনকৈয়ে।
ময়ে দুষ্ট দমিবলৈ সন্ত সাধু হওঁ,
ময়ে দুষ্টৰ উদ্‌ভণ্ডালি ঘূৰি পাতি থওঁ।

মোৰ ডাৱৰতে মই ৰহণ বাকি দিওঁ,
ময়ে বতাহজাটি হৈ উৰুৱাই নিও।
পখিলা ময়েই হওঁ, ফেচু হৈ খেদোঁ,
মোৰ ধেমালিৰ অন্ত ময়ে হব নিদোঁ।

মোৰ হিয়াখনি মই মোকেই বিলাওঁ,
প্ৰেম বেহানিৰে ভৰি নাও বাই যাওঁ।

মোৰেই প্ৰতিমাটীক কন্যা বুলি মাতোঁ,
ময়ে মোত বিয়া সোমাই ময়ে ঘৰ পাতো।
ময়ে পুত্ৰৰূপী ল'ৰা মৰমতে মৰোঁ,
বিচাৰি সম্পদ আনি, অলঙ্কাৰ আৰোঁ।
প্ৰেমৰ বাতৰি কৈ ঘৰে ঘৰে ফুৰোঁ,
মনত কথাটি ৰাখি কপটতা কৰোঁ।
ঘৰতে কন্দল লগাই কত টোপ যাচোঁ,
বীজৰ পতান মই নাৰদ হৈ বাছোঁ।
জগতৰে মোৰে দেখোঁ সম্বন্ধ অটুট,
চকু মুদিয়েই মাথোঁ অন্ধ অদভুত ॥
দিব্য দৃষ্টিৰে চোৱাঁহে জগৎখন
প্ৰহেলিকা গুচি এয়ে জীৱন ৰঞ্জন ॥

॥ ৫ ॥

এই সংসাৰত মই
কতনো বিনালো,
দুৱাৰে দুৱাৰে ঘূৰি
কত খেদা খালোঁ।
কবকে নোৱাৰোঁ মই
কি বিচাৰিছিলোঁ,
অবাবতে অকলই
কতনো কান্দিলোঁ।
ছাঁৰে সৈতে লৰা দৰে
ধেমালি কৰিলোঁ,
ছাঁকে বিচাৰি গৈ
কত ঠগ খালোঁ!
সপোনেৰে দিনে-ৰাতি
উমলি ফুৰিলোঁ,

সপোনো সচেত বুলি
মোহতে পৰিলোঁ।
স্বাৰ্থ অহঙ্কাৰে বাহ
বান্ধিলে সংসাৰ,
ৰ-লগা পলু যেনে
খোলাটি মুগাৰ।
নিজতে নিজেই মই
ভাবিলোঁ সুন্দৰ
সুখৰ ভঁৰাল কিনো
ঠেক অন্ধকাৰ!
সুখতে মধুৰ আৰু
মোহৰ কঁৰাল,
বিধিৰ কৃপাত পুনু
হলোঁহে উদ্ধাৰ।
কি সুন্দৰ মুক্ত বায়ু,
নীলিম আকাশ—
কি সুখৰ জোন বেলি
জেউতি প্ৰকাশ!
অসীম সাগৰ মোৰ
নাৱেৰেই ভৰা,
মহাসদাগৰ মই
অতীতৰে পৰা।
অনন্ত ভঁৰাল মোৰ
শস্য সাঁচি থওঁ,
অসীমৰ পথাৰত
বীজ সিচি দিওঁ।
কণ-গেলা বীজেৰেই
নিত্য বীজ পোহোঁ,

বীজৰ বেপাৰী মই
বীজকেহে বেহোঁ।

॥ ৬ ॥

এদিন পুৱাতে উৰুলি মঙ্গল
শুনিলোঁ যাত্ৰীৰ ৰোল,
শুনো কি নুশুনো বুজোঁ কি নুবুজোঁ
মহাপ্ৰয়াণৰ বোল।
জনমৰে পৰা শুনি আহিছিলো
সৰগী সুখৰ কথা,
দুখিত তাপিত মানুহে এদিন
পাহৰিব দুখবেথা।
সেই দিনলৈকে মহাআয়োজন
চিৰজীৱনৰ বেহা,
সেই দিনলৈকে জীৱন উছৰ্গা
সেৱাৰ উপৰি সেৱা।
সেই দিনলৈকে আছে বাট চাই
অধীৰ পৰাণে মোৰ,
সেই দিন আজি প্ৰাণৰ প্ৰাণত
উশাহে উশাহে পূৰ।
গণিতা নেচাওঁ ভণিতা নেচাওঁ
তালৈ সময় নাই,
সোনকালকেই বোলে শুভক্ষণ
যাত্ৰী আগবাঢ়ি যায়।
একে উশাহতে লগ ললোঁ আহি
চিন্তাৰ পৰিল ওৰ,
ক্ষীণখনি মাত্ৰ লগৰ লগৰী
জীৱন সম্বল মোৰ।

দিন বাঢ়ে যাত্ৰী যেতেকতে বাঢ়ে

তেতেকতে কলৰৱ,

শুনা হাটকুৱা বাটকুৱা লোক

প্ৰয়াণৰ যাত্ৰীসৱ !

হিয়াৰ মাজেদি অনন্ত সুখৰ

পৰি আছে ৰাজবাট,

মনৰ বেহানি কিনি-বিকি নই

ফুৰিম সংসাৰ হাট ।

সকলোকে কওঁ সুখৰ বাতৰি

যাকে পাওঁ হাটে-বাটে,

কোন যাবি হেৰ আহ ভাইহঁত

বীণ-বৰাগীয়ে মাতে ।

মহাপ্ৰয়াণৰ যাত্ৰী সবাওটি

আমাৰ কিহৰ চিন্তা ?

মহান প্ৰাণৰ অধিকাৰী আমি

মুখত আনন্দ গীতা ।

॥ ৭ ॥

সুখ সুখ বুলি জগৎ বলিয়া

হেৰাল পৰম সুখ,

স্বাৰ্থৰ কন্দলে জগৎ জুৰিলে

দুখ যে থাকি গ'ল দুখ ।

প্ৰভুৰ কাষলৈ নিনিয়ে যি সুখে

হিয়াৰ যাতনা মাথোঁ,

হৰণ-ভগন মাত্ৰ লাভ তাৰ

সি দুখ সি আপদৰ হেতু ।

খোৱা-কামোৰাকৈ মৰিছে মানুহ

পৃথিৱী যে ছাৰখাৰ,

পশুতো অধম স্বাৰ্থত অন্ধলা
দানৱৰো সাতচাৰ।
ৰাইজক গৰকি বোলায় গৰাকী
সৃষ্টি ৰাঙলী কৰি,
অতীজৰ বলী ৰজা মহাৰজা
গ'ল কোন বাট ধৰি ?
ৰাইজৰ তেজেৰে তিয়াই ধৰণী
বোৱায় ৰাঙলী সোঁত,
মানুহৰ দুখ দুৰ্দশাৰে বান্ধে
নিৰাশ কলীয়া কোঠ।
প্ৰাণতে আছে প্ৰাণৰ সম্বল
দূৰত বিচাৰি ফুৰোঁ,
ভ্ৰান্তি মোহজাল আঁতৰোৱা প্ৰভু
মোহ-অন্তকাৰী গুৰু !
সুখশ্ৰীপ্ৰয়াসী, প্ৰভু প্ৰণমিছোঁ
দিয়া মতি অন্তৰ্মুখী,
হিয়াৰ আনন্দ হিয়াতে পাবলৈ
কৰা নিষ্কলঙ্ক সুখী।
শ্ৰেয়ৰ গৰাকী প্ৰভুৰ সেৱক
প্ৰয়াণৰ যাত্ৰী আমি,
নিঃকিনৰ ধন জগৎৰঞ্জন
প্ৰণমো জগৎস্বামী।
অনন্ত সুখৰ মন্ত্ৰ মোহ হৰা
হৃদয়ত জপোঁ মাথোঁ,
সবাওৰো হিত আৰাধোহোঁ নিত
প্ৰেমৰ থাপনা পাতোঁ।
শ্ৰেয়সী সত্ৰৰ সত্ৰীয়া সবাও
বিশ্ববাসী নৰগণ,

মানৱী জনম উছর্গি সবেও
ভজোঁ মানৱী চৰণ।

॥ ৮ ॥

প্ৰাণৰ প্ৰতিষ্ঠা জীৱন্ত সাধনা
দেহাত কৰাহে থিয়,
চুকে-কাণে যত জড় দেৱমূৰ্ত্তি
নিশ্বাসতে পাব জীৱ।
সুষুপ্ত আত্মাৰ সূক্ষ্ম শকতি
জগাই মাথোন তোলাঁ,
আত্মাৰ বলেৰে বলীয়ান হই
বিজুলী সঞ্চাৰে দোলা।
জড় জগতৰ চেতন নিয়ন্তা
ৰথৰ সাৰথি তুমি,
তোমাৰে আদেশ অপেক্ষাত আছে
শিৰেৰে নমিহে ভূমি।
অন্যায় অসত্য পাশৱ বলেৰে
নিত্য সংগ্ৰাম-চাৰী,
দৈৱী সম্পদৰ আশ্বাস-নিৰ্ভীক
বিজয় গাণ্ডীৱধাৰী।
বিশ্বৰ বীণত ঝঙ্কাৰ উঠিছে
মিলোৱাঁ তাৰেই সুৰ,
আকাশৰ লক্ষ গ্ৰহ সমন্বিতে
ওঙ্কাৰ ধ্বনিৰে পুৰ।
ধ্ৰুবলোকৰ সত্যক আজোৰাঁ
অৰুন্ধতীৰ প্ৰেম,
সূৰ্য্যৰ ৰশ্মিৰ জ্বলন্ত মহিমা,
পৃথিৱী-তলৰ হেম।

পৃথিৱীক তোলাঁ স্বৰ্গৰ খাপলৈ
স্বৰ্গক নমাই আনা,
সৰগ নহয় দূৰ-দূৰণিৰ
বাহিৰৰো নোহে জানা।
অন্তৰৰ চকু মেলাঁ মোৰ বন্ধু
দিব্য দৃষ্টিৰে ফুৰাঁ,
শুধ দাপোণত শুধ প্ৰতিবিম্ব
বাহিৰ ভিতৰ জোৰা।

॥ ৯ ॥

দিব্য দৃষ্টিৰে ফুৰাঁ মোৰ বন্ধু
অনন্ত দাপোন মেলাঁ—
দিগন্ত প্ৰসাৰি আকাশী নেত্ৰেৰে
চোৱাঁচো সৃষ্টিৰ খেলা।
নীলিম পুণ্যৰ প্ৰভাই জিনিছে
শ্যামল পৃথিৱীখন,
মহাজলাশয় সাগৰে গৰ্জিছে
উত্তাল নিমগন।
সৰগী বায়ুৰ ৰিবৰিবনিত
পুনৰ থমকি ৰয়,
হৃদি সিন্ধু বাৰি ফুটন্ত হাঁহিৰে
শতধা বাগৰি বয়।
সোণালী মেঘৰ প্ৰতিবিম্ব তাতে
স্বৰ্গীয় বিচিত্ৰ লীলা,
মহান আত্মাৰ আদৰ্শেৰে লেখা
ফুলাম চানেকীখিলা।
ৰিচিত্ৰ মেঘৰ ভাবেৰে ৰঞ্জিত
মানৱী আত্মাৰ খেল,

মহামহত্ত্বৰ অভিলাষী নৰ
বিশ্বৰ প্ৰাণেৰে মেল।
লোকালোক সউ মুখৰিত হ'ল
উদিল পূজাৰ বেলি,
জুৰিলে হেঙুলি ধূপ-ধূনাৰেই
নীলিমাৰে খেলিমেলি,
কতনা কালৰ মানৱ-সন্ততি
আৰাধিছে বিয়াকুল
বিশ্বৰ প্ৰেমত বিভোৰ মগন
উছৰ্গি ভকতি ফুল।
মোৰেই সুখেদি মানৱ প্ৰাণৰ
ফুটক আকুল মাত,
মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ
সত্য হক প্ৰতিভাত।

# আনন্দ-তীৰ্থ

হিয়াৰ মাজেই অনন্তৰ পথ
যাত্ৰী আমি আগবাঢ়োঁ,
আনন্দৰ-তীৰ্থ সবাতো উত্তম
উলাহত খোজকাঢ়োঁ।
লগে ভাগে যাওঁ আমি যাত্ৰী সৱ
একে বাটৰ বাটৰুৱা,
সকলো বাটেই ঘূৰিপকি গৈ
একেটি তীৰ্থ লৈ যোৱা।
সেউজী ৰসাল বটে আবৰিছে
দয়াই বিতৰে ছঁয়া,
ফটিক সুৱদি নিজৰাৰ ধাৰে
বাটৰ হৰিছে পয়া।
নীল আকাশত বগলী পাখিৰে
চোঁৱৰ ধৰিছে মেঘে,
মলয়ে আনিছে সাগৰ কাষৰ
তীৰ্থৰ বাতৰি বেগে।
তীৰ্থত বিৰাজে তীৰ্থৰ দেৱতা
প্ৰভু জগন্নাথ তাত,
অনন্ত কালৰ অনন্ত সোঁতৰ
আনন্দ লোকৰ নাথ।
আহাঁ কোন যাবা দিগন্তৰ শেষ
আহাঁ শুধ আশা লৈ,
অন্তৰ বাসনা মন মলিয়ন
দলিয়াই পেলাই থৈ।

প্ৰপঞ্চ

( কথা-সূত্ৰ )

কণিকাৰ শত ধাৰে
জ্যোতিৰ বিকাশ
বিয়পিলে নিৰবধি
বিস্তীৰ্ণ আকাশ।
জুৰি দাপোণত নিজ
দেখে প্ৰতিবিম্ব
অনন্তক মানে ক্ষুদ্ৰ
—নিজে পৰিসীম।

( কথা )

বেলি—সৃষ্টিৰ পাতনি আদি
হে দেৱ বৰুণ শুনা,
আঁৰ দিয়া ক্ষণিতেক
চাওঁ সংসাৰ ভাওনা।
বৰুণ—উছাহৰ সোঁত প্ৰভু
বলিছে জগৎ জুৰি,
আনন্দত মতলীয়া
উঠে পৰে ঘূৰি ঘূৰি।

( দিন, ৰাতি। )

দিন—মেলিলোঁ জগতৰ চকু
প্ৰাণ পাই হাঁহে নাচে,

মোৰেই যশস্যা গান
জগত জুৰিয়ে আছে।
ৰাতি—ক্লান্ত সকলোকে ঢাকি
দিলোঁ নিদ্ৰাৰ বিশ্ৰাম,
সুখৰ সোৱাদ বুজি
মোৰেই কৰিছে নাম।
দিন—মৃতপ্ৰায় টোপনিত
কি আছে বিশ্বাস সুখ ?
কাৰ্য্যময় প্ৰাণতেই
পাহৰে সংসাৰ-দুখ।
ৰাতি—কাৰ্য্য দুঃখময় বুলি
বিশ্ৰাম ৰাতিৰ সৃষ্টি,
দিনৰ দুৰ্দশা দেখি
( মই ) বিধাতাৰ কৃপাদৃষ্টি।
দিন—মিছা গৰ্ব কিয় ৰাতি
ময়েই আঁতৰি দিওঁ
প্ৰাণীৰ মনত সুখ
দুখক চোৰাই নিও।
বেলি—কোঢ়াল নিৰস্ত হক
দিন-ৰাতি মোৰেই নিৰ্মাণ,
কামৰ পেলাই ওৰ
দিওঁ নিতে নৱ প্ৰাণ।
দিন, ৰাতি—হে দেৱ ! হে কৰ্ম-কৰ্তা !
তোমাৰেই প্ৰতিবিম্ব
আমি মাথোঁ বিহি আছোঁ
তোমাৰেই অক্ষয় নিয়ম।
বেলি—আঁতৰা আঁতৰা, চাওঁ বৰ্ণ-মধুৰিমা
বিশ্বকৰ্মা বিধাতাৰ সৃষ্টিৰ গৰিমা।

( সাত বৰণ )

নীলিমা—আকাশৰ অন্তঃস্থল ভেদি
মৰেইহে সিন্ধুৰ প্ৰাণৰ নিধি,
সেউজী—মইহে বসুধা প্ৰাণ
অৰণ্যক বসন পিন্ধাওঁ

ঋতুৰাজ বসন্তকো
পুনু ময়েই সজাওঁ।

হৰিদ্ৰী—জিলিকা ৰবিৰ কিৰণত উঠি
বিলাওঁ বিশ্বত পোহৰ দীপিতি।

কমলা—সোণালী ৰেখাটি আঁকি
সন্ধিয়াৰ কপালত
মোহোঁ মই চোৱা
বিশ্ব মোৰ পদানত।

লুইতি—মোৰেই প্ৰতাপ দেখি
বিশ্ব চমকিত হয়,
চকুত মোকেই সানি
সূৰ্য্যদেৱ নিজে পৰে জয়।

বৈগুনী—নাই মোৰ তীব্ৰ তেজ
মাতি আনো শান্তি,
ঘনশ্যাম—পূৰ্ণ শান্তি মোতেই বিৰাজে
নিঃকম্পা পৰমা কান্তি।

বেলি—খেলিমেলি ক্ষান্ত হক,
সমূহতে জীৱন মাধুৰী,
সাতোটিৰ একতে জনম
একতেই লীন হয় ঘূৰি।

অকলৈ একোটো নৰজে!
নিজ ঠাই আকোৱালি

বীজৰ কণিকা গজে।

নিজ ঠাই ধৰি গজে

শুৱনি বননি সাজে

বৰুণ—জ্যোতিৰ সন্ততি যত বৰ্ণচয়

মেঘমালা মাথোঁ বাৰি বিন্দুময়।

সাতো বৰণ—আমি সকলোটি লগ লাগি

বিচিত্ৰ বৰণ ৰামধনু হওঁ।

দিগন্তৰ সীমা পাৰ হৈ

অনন্তলৈ সেতু বান্ধি দিওঁ।

( ৰামধনুৰ আবিৰ্ভাৱ )

সকলোটি—মেঘময় শূন্য হৃদি পৰা

মায়াৰে বিয়াপোঁ ধৰা,

সৌন্দৰ্য্যৰ সমাবেশ

চোৱাঁ আমাৰেই গঢ়া।

অকলশৰীয়া ভাবে মৰ্ত্য ভৰপূৰ

দৰ্পহাৰী ভগৱান কৰাঁ দৰ্প চুৰ।

# সেৱা-লহৰী

( ল'ৰা ছোৱালীৰ গান )

নেজানো প্ৰণতি
ভক্তি তুতি-নতি
সেৱাই আমাৰ গতি।
সেৱাতে অৰ্পিম
ধৰম কৰম
ক্ষুদ্ৰ আমাৰ শক্তি।

॥ ১ ॥

ছোৱালী—সৰু হাত-ভৰি
লাহীকৈ আঙুলি
ল'ৰা— বজ্ৰমুঠিৰ বান্ধ।
ছোৱালী—কামত লাগিলোঁ
সেৱা তুলি ললোঁ
ল'ৰা— মাতৃলৈ পাতিছোঁ কান্ধ।

॥ ২ ॥

ছোৱালী—মৰমপ্ৰতিম
হিয়াক পাতিম
উভয়— দুখীৰ দুখত দুখী।
ল'ৰা— সুখ বলি দান
ধৰিম যোগান
উভয়— —সমূহ সুখত সুখী।

॥ ৩ ॥

ছোৱালী—শুচি দেহা মন

শুচি আলাপন

পৱিত্ৰ আতমাধাৰী,

ল'ৰা— সেৱা-ধৰমৰ

হ'ম যোগ্য নৰ।

ছোৱালী—আমি সমধৰ্মী নাৰী।

॥ ৪ ॥

ল'ৰা— দুখ-কষ্টৰাশি

লম উপযাচি

ছোৱালী—অগ্নি-পৰীক্ষালৈ সাজু।

ল'ৰা— নিয়মৰ বান্ধ

পিন্ধি হম শাঁত,

ছোৱালী—কৰিম নিজক কাজু।

॥ ৫ ॥

ল'ৰা— কৰোঁ অঙ্গীকাৰ

এৰি অহঙ্কাৰ

হওঁ সবাতোকৈ সৰু,

ছোৱালী—ক্ষুদ্ৰ বালিকণ

লগেৰে মহান

উভয়— বিশ্বক মহান্ কৰোঁ

॥ ৬ ॥

ছোৱালী—আমি দীনহীন

হিয়া অতি ক্ষীণ,

ল'ৰা— যুটীয়া বলেৰে বলী,

ছোৱালী—আমি মৰিমুজি
সৰু ফুল গুচি
ল'ৰা— হম গৈ সবৰদলী।

॥ ৭ ॥

ছোৱালী—এডালি দুডালি
কৰি তিনিডালি
ল'ৰা— ফৈৰে বটোৱা জৰী,
ছোৱালী—লগৰ লগেৰে
শকত বান্ধেৰে
ল'ৰা— বান্ধিম হাতীকো ধৰি।

॥ ৮ ॥

ছোৱালী—একে সেৱাৰ সেৱী
একে দেৱৰ দেৱী
উভয়— (আমি) একেটা কৰ্মেৰে কৰ্মী,
ছোৱালী—মূৰ দোঁৱাই গাওঁ
লগলাগি যাওঁ
উভয়— (আমি) মিলন ধৰ্মৰ ধৰ্মী।

## পশুবল

সেৱক হৈ কৰিছা বলৰ দৰ্প
গৰাকীক পেলালা তল,
বলেৰে ছলেৰে শান্তিৰ দোহাই !
অজলা সেও হৈ ৰ'ল ।

শান্তিৰ নামত অশান্তিৰ বেহা
বিধান বিহিছা আঁটি
বিধান ভঙ্গ বুলিয়েই আক'
মাৰিছা নেগুৰ ছাটি ।

বলৰ দৰ্পত ওফন্দি দেখা
ধৰণী গোখোজ প্ৰায়,
কালৰ গতিত নগৰ সাগৰ
সাগৰ নগৰ হয় ।

ধুমুহাত পৰে মহামহীৰুহ
দুবৰি গচকত উঠে,
বৰকৈ বাঢ়িলে দোঁ খাব লাগে,
সৰু অকণিকৈ টুটে ।

মহাকোলাহল দমাই পাতিছা
তোমালৈ সুখৰ হাট,
তোমাৰে সুখত যোগান দিবলৈ
মাৰিছা সকলো বাট ।

হালোৱা ভঙাই নগৰলৈ টানি
লইছা লগুৱা ভাৰী,

হোজাক দমাই তুষ্টক পালি
ওভোতা হুকুম জাৰি।
শাসন চলোৱা কাপ-কলমেৰে
ওফোন্দা গঙ্গাটোপ,
বিদ্যাক দেখুৱা লেৰেলা সাদৰ
দেখুউৱা ৰেহ-ৰূপ।
অন্নৰ উৎপন কৰিলা উছন
গচকি পথাৰৰ ধান,
টিগিলঘিলাইছা হজুৰাৰ ওপৰত
আদায় কৰিছা মান।
কাকতী-ফৰিং সর্জিলা অলেখ
অসন্তোষী সৰবগ্রাহী,
লগৰ সঙ্গৰ ভাই-ভনীবোৰ
অঠাইত ফুৰিছে ভাহি।
নাছিল অভাৱ—এতিয়া দেখোন
নিগমে তললৈ গ'ল,
দেখুৱাই ধনৰ ৰমকজমক
মাতিছা ভিখাৰী দল।
ধনেই তোমাৰ পৰম সুখ,
ধনেই তোমাৰ ধৰ্ম,
ধনকে বুটলি ধনকে চিনিলা
ধনেই নাশিব কৰ্ম।
মানুহৰ প্ৰাণ ঈশ্বৰৰ দান
আদৰিব নেজানিলা,
খোলাকটিকেই সাৰোগত কৰি
বুকুৰে বান্ধ বুলিলা।
স্বাৰ্থত বাজে নুবুজা একো,
গৰাকী নিচিনা হ'লা,

মহান্ স্বাৰ্থলৈ কৰি আওকাণ
ধৰ্মক উটাই দিলা।
এতিয়াও সউ মাৰ যোৱা নাই
ধৰ্মৰ ৰাঙলী বেলি ⋯
মৰমৰ টানে আনিব সাঙুৰি,
মাতাঁ দুই বাহু মেলি।

# কেও নোহে পৰ

( গীত )

মাতিছোঁ কাকূতি কৰি বন্ধুগণ
নেথাকিবা আৰু স্বাৰ্থত মগন।
দুখিতজনৰ চোৱাঁ মুখলই
দুখ-ভাৰ তাৰ দিয়াঁ পাতলাই।
নিজ সুখ-দুখ অতি তুচ্ছ কথা
পশুৱেও বুজে আপোনাৰ বেথা।
মানৱী জনমে পৰহিত সাধা
পৰক আপোন কৰি প্ৰাণ বৰ্তা।
কেও নোহে পৰ মানুহ তোমাৰ
—কুটুমে কুটুমে ভৰা যে সংসাৰ।

## আৰু কিয় ?

কিনো আছে আৰু
দিবলৈ বাকী ?
সকলো গতালোঁ
নহয় ফাকি ।
পুৰণি কথাকে
নতুন সাজেৰে
দিব পাৰোঁ মাথোঁ
দিওঁ কি লাজেৰে ?
নতুন অকল
বিচাৰিলে নাই,
নতুন পুৰণি
মিহলি যে ভাই !
পুৰণি নোহোৱা
একে সুৰে বজা,
প্ৰাণ মাজে বাঁহী
আছে মাথোঁ বুজা ।

## নতুন বছৰ

ভৱিষ্যৰ এপিঠি মুকলি
আজি হ'ল তোমাৰ আগত
নদী-বন, পৰ্ব্বত-আকাশে
আশাৰ বাতৰি প্ৰচাৰিত।

# যাত্ৰা

সকুতে এদিন দেখোঁ পদূলিত
চলিছে যাত্ৰীৰ দল
দেখাক দেখিয়ে লগ ললোঁ মই
বান্ধিলোঁ প্ৰাণত বল।
প্ৰাণৰ উছাহ কোনে চায় মোৰ
ল'ৰালি কালৰ কথা,
দিগন্ত বিয়াপি প্ৰাণৰ হেঁপাহ
উছলি নেমানে বাধা।
অচিনাকি মই চিনাকি হলোঁগৈ
ললোঁগৈ যাত্ৰীৰ বেশ,
তীৰ্থৰ উদ্দেশে এৰি ঘৰ-বাৰী
নৰল চিন্তাৰ লেশ।
যাত্ৰা শেষ নাই পৰা মোৰ
কোনে ক'ব ক'ত তাৰ ওৰ ?

# আত্মদান

হাত নেপাতিবা আশা ভঙ্গ হব,
ধৰিবা সকলো কাম,
পাত নেফালিবাঁ ধৰ্ম্ম নাশ হব,
লবাহে সকলো নাম।
নেচাই নেথাকিবাঁ বুদ্ধি খৰ্ব হব,
লভিবা সকলো জ্ঞান,
নিদি নেথাকিবা আটাইকে আটিব,
কৰিবা সকলো দান।

## লটিঘটি

জনমৰে পৰা
          হেঁপাহৰ ধাৰটি
আবেগেৰে ভৰা
          উত্ৰাৱল প্ৰাণটি।
থৌকিবাথৌকৈ
          উছলাই দেহিটি
আমনি নোহোৱাকৈ
          মৃদু মন্দ গতিটি।
অবিৰাম হুহুকৈ
          উঠা পৰা ধাউতি
শতধা বাগৰি গৈ
          কেনে লটিঘটিটি

# নঙঠা ফকিৰ

সত্যত অটল আস্থা নিছলা শৰীৰ
লুকাবলৈ একো নাই নঙঠা ফকিৰ ।
দুখীয়াৰ দুখত বাকি হৃদয় ৰুধিৰ
সৰ্বস্বান্ত হলা তুমি নঙঠা ফকিৰ ।
নিমিষকো নেপাহৰি দুৰ্দশা দুখীৰ
সন্মান হেচুকি থলা নঙঠা ফকিৰ ।
নিজৰ হাতেৰে দিলা হেৰোৱা ৰতন
দুখীৰ হাতত তুলি চক্ৰ সুদৰ্শন ।
বহল বুকুত ঠাই তেত্ৰিছ কোটিৰ
ভাৰত-দেৱতা তুমি নঙঠা ফকিৰ ।
মহান প্ৰতাপান্বিত শক্তিধৃত শিৰ
অভ্ৰভেদী গিৰিবৰ প্ৰণত পৃথ্বীৰ ।
তোমাৰ মুখেদি হ'ল শব্দ গম্ভীৰ
ভাৰতীৰ বজ্ৰবাণী নঙঠা ফকিৰ ।

# কোন দেশৰ প্ৰাণী তুমি

ফুটুকীয়া সাজ তোমাৰ
হেঙুলীয়া ৰেখা,
কেতুকী ৰেণুৰে ঘঁহা
নাচনী পখিলা।

আগলি পাতত বহি তুমি
ৰ'দ-কাচলি লোৱা
ফুলৰ পাহিত আসন পাতি
ফুলৰ মৌ খোৱা।

ময়লাৰ ছাটি নাচি আহে গা
খৰ-বাগৰ মাৰি,
তাতে তুমি উটি যোৱা
পুলুকাটি মাৰি।

মেঘলৈকো যোৱা দেখোঁ
স্বৰ্গৰ কথা কোৱা,
দেৱকন্যাৰ খোপাত তুমি
অলঙ্কাৰ হোৱা।

ৰ'দে-ছায়ে মিলি তোমাক
ধুনীয়াটি কৰে
কুঁহিলা যেন গাটি তোমাৰ
কেনে বৰণ ধৰে।

শূন্যৰ কোলাত গা ঘেলাই
পানীতে মুখ চোৱা

পদুমফুলৰ চাকত পৰি
তাতে মোহ যোৱা।
বনৰ মাজত পাতৰ আঁৰত
ক'ত তোমাৰ ঘৰ
কোন দেশৰ প্ৰাণী তুমি
কলৈ মাৰা লৰ ?

## চাকৰি স্তোত্ৰ

মূৰ্খ কুলী মাৰিকে, বাবু কুল পালিকে,
গৃহস্থালি নাশিকে, প্ৰৱস্থুৰা তাৰিকে,
নমামি চাকৰিকে !

সম-বঙ্গ ভেদিকে, লোটাঘটী ধাৰিকে,
কলম চালিকে, পৰীক্ষা দায়িকে
সুসভ্য কাৰিকে, অসভ্য হানিকে,
নমামি চাকৰিকে !

পুৰাতন ঘাতিকে, ডাঙৰীয়া লোপিকে,
বিষয়ীয়া পাতিকে, ভেটীভুটা গ্ৰাহিকে,
নমামি চাকৰিকে ।

য়ুনিভাৰ্ছিটি চাৰিকে, ফেউ ফেউ নাদিকে,
বি-এ পাছ কাৰিকে, গড্ডলিকা বাহিকে,
"শুৰু-ট্ৰেন ইঙ্গিকে" স্থূল পুচ্ছ শীবিকে,
নমামি চাকৰিকে !

ফিফ্‌থ ক্লাছ্‌ শিক্ষিকে মহৰীত্ব লোভিকে
এপ্ৰেন্টিচ মোহিকে,
নমামি চাকৰিকে ।

'চৰ্বেইং ক্লাচিকে', মণ্ডল পাতিকে,
শৰণ্যং ত্ৰায়িকে
নমামি চাকৰিকে !

স্বাধীনতা হাৰিকে, প্ৰভুপদ লোহিকে
দহ পাঁচ ঘটিকে মাসান্তৰ মুদ্ৰিকে

তৎপৰ উৰিকে

নমামি চাকৰিকে !

হলিডে বৰ্তিকে খোচামুদি বাদিকে,

খেতি-বাতি নিন্দিকে

নমামি চাকৰিকে !

---

চন্দ্ৰকুমাৰৰ ইয়েই প্ৰথম ব্যাংগাত্মক ৰচনা। কবিতাটি প্ৰকাশিত হৈছিল বাঁহীত। দ্বিতীয়টো "মৌনী শিশুপাল"।

# মৌনী শিশুপাল

স্মৃত্রধাৰী বোলে—শুনা সভাসদ লোক।
চেৰমন নিৰ্বাচন আজি জানিওক।
ভোটৰ গণনাক্ৰমে সিজনাৰ স্থিতি
তিনি বৰ্ষ ধৰি তেন্তে নগৰাধিপতি।”
বহুল সমাজ পাতি বলীবৰ্দজাক
নগৰ ৰক্ষাৰ ভাৰ লৈলে গণিবাক।
দল পাতি জুমে জুমে বহিছে মেম্বৰ
সভাক শুৱনি কৰি অধৰ সুন্দৰ।
নগৰনিবাসী সবে টেক্স শোধাৱন্ত
ভোটদানে আসম্বাক সভ্য বৰিলন্ত।
স্মৃত্রধাৰী বোলে শুনা সভাসদ লোক
কলিৰ বৰ্ণাইবোঁ চৰিত্ৰক সমস্তক।
ভোটাৰ নামত অতি অল্পমতি প্ৰজা।
হইবে নগৰীয়া লোক মান্যপদ ভজা।
শোধাৱন্ত মৌন হুয়া টেক্স যাক বোলে
কিবা হেতু কি কাজত নজানে সমূলে।
নিৰ্বাচন কৰি মাত্ৰ শিশুপাল খেদে
হুৰামূৰা কোনে কাকো বুজিবাক নেদে।
বহল সমাজ পাতি বলীবৰ্দজাক
নগৰৰ ৰক্ষা ভাৰ লৈলা তৰ্কিবাক।
আজি আছে, কালি নাই এনেহেন ৰজা
কচুপাতৰ পানী যেন টলমল বুজা।
কলিৰ প্ৰাণীৰ চোৱা কিমত আক্ৰোশ

ক্ষমতা পাইলে অজৰামৰ সদৃশ।
নেদেখন্ত আছে কাল "ৰাজ্য গৰিহণা"
চুলিত ধৰিয়া যমৰূপী বিভৎসনা।
'হৌছ টেক্স' 'লৈট টেক্স' আৰু ওৱাটাৰ
তদুপৰি আছে আউৰ টেক্স 'পাৰানাৰ'
অসংখ্য আছয় আৰু 'লৈছন' বিস্তৰ
সংক্ষেপে কহিলো অন্ত কৰে সাধ্য কাৰ ?
'এছেছমণ্ট' নামে আৰু বৃদ্ধি ৰাজহৰ
কি কৈবো তাহাৰ কথা মহিমা বিস্তৰ।
সবাহকো এছেছন্ত বোৰ্ডৰ 'কুমতি'
দৰিদ্ৰক কিন্তু 'বাপ বাপ' সুমৰন্তি।
নগৰক লাগি বাছা আসিবাক চাস
বুকৰ আস্পৰ্ধা তোৰ চাবাছ চাবাছ।
শাসনৰ অস্ত্ৰ তীক্ষ্ণ চৌৰমান হাতে
নভজিব কোনে তাঙ্ক ই সব থাকন্তে।
কোনোৱেবা মাতে যদি দৰিদ্ৰৰ হই
'চৌৰমান' কুনি বুলি শোধন্ত প্ৰভুই।

# নচিকেতাৰ উপাখ্যান

( কঠোপনিষৎ )

বিশ্বজিৎ যজ্ঞ যজি দক্ষিণা স্বৰূপে
ফলকামী বাজশ্ৰবা সৰ্বস্ব অৰ্পিলা।
নচিকেতা নামে পুত্ৰ কুমাৰ প্ৰকৃতি
দেখিলা পিতৃৰ দান জীৰ্ণশীৰ্ণ ধেনু—
আনন্দ লোকৰ মাথোঁ সোপান স্বৰূপ।
যজ্ঞ অসম্পূৰ্ণ ভাবি পিতৃ উদ্ধাৰৰ হেতু
আত্মউৎসৰ্গেৰে সিদ্ধিক বাঞ্ছিলা।
বুলিলা—'হে পিতৃদেৱ! কোন পুৰোহিত
হাতে সমৰ্পিলা মোক দক্ষিণা স্বৰূপে?
এবাৰ দুবাৰকৈ তিনিবাৰ যদি
নচিকেতে পিতাক সুধিলা প্ৰকোপিলা
বাজশ্ৰবা—নোহে ইটো বালক স্বভাৱ
প্ৰকাশি বুলিলা "দিলোঁ মৃত্যুহস্তে তোক।"
"নোহো মই অধম সন্তান, অনেকতো
প্ৰথম স্থানৰ অধিকাৰী, মধ্যমৰো
সুমধ্যম, সাধোঁ কিবা যম প্ৰয়োজন?"
"পূৰ্বাপৰ বিধিমতে বিচাৰে চলিবা।
মৰি উপজিহে লোক শস্যবৎ পুনু।"
মৃত্যুৰ অতিথি হৈ তিনি দিন ৰাতি
সৎকাৰ বিহনে শূন্য যম নগৰীত
নিবাসিলা নচিকেতা পিতৃ সত্য পালি
—পবিত্ৰ ঋত্বিক্ তেজে নিৰ্ভীক হৃদয়।

"ব্ৰাহ্মণ অতিথি অগ্নিৰূপে প্ৰবেশিলা
গৃহ তব, আনা পাদ্য-অৰ্ঘ্য যমৰাজ!"
যি জ্ঞান লভিলা দেৱ। জন্ম-মৃত্যু লীলা
গূঢ় তত্ত্ব ধৰ্মৰাজ অনুগ্ৰহ লভি
প্ৰচাৰিলা পৃথিৱীত ব্ৰহ্মবিদ্যা কথা
মঙ্গল কামনা কৰি জগতবাসীৰ
—অমৰত্ব লভিলাহে বাজশ্ৰবা পুত্ৰ—
যি জ্ঞানে আজিও দেৱ, তযু মুখামৃত
ধাৰে পবিত্ৰিছে পুণ্যভূমি ভাৰতৰ।

# যুৱৰাজ

চৈধ্য ভুৱনৰ ঈশ্বৰ প্ৰভুৱে
বায়ু হৈ ফুৰিছে ৰখি,
ঘৰতো ৰখিছে পিতৃ মাতৃৰূপে
বাজতো সমনীয়া সখি।

দাম্ভিক থাকিব দম্ভকে আচৰি
দৰ্পীও থাকিব পৰি,
সৰগী সুখৰ লভিয়া আনন্দ
সেৱাৰ নিৰ্মালিফেৰি,

সুখ সুখ বুলি লোকৰ সুখতে
বাজিব প্ৰাণৰ বীণ,
সুখৰ ভৰাল তপস্যাৰ দল
বুজিবা বৰাগী দীন।

অন্তৰ ৰাজ্যৰ মুকলি চকুত
গুচেহে সংশয় ভয়,
হৃদয়ত শত ভুমুকনি উঠি
আনন্দ নিজৰা বয়।

সৰগী সুখৰ আহিৰেই গঢ়া
পাৰ্থিৱ সুখাভিনয়,
পৰাণৰ ঘোৰ তিমিৰ বিনাশ
সুখৰ সূৰ্য্যোদয়।

যতনক চোকা কৰি তুলিবলৈ
দুখ যে শানৰ শিল,

বলৱন্ত নৰ গঢ়ি তুলিবলৈ
ঘোৰ পৰিশ্ৰমশীল।
সেয়েহে সাৰ্থক মানৱ জীৱন
সুখেৰে-দুখেৰে ভৰা,
দুখৰ অগনি নিবাৰিবলই
বিজয় গাণ্ডীৱ ধৰা।
দীন দুখীকেই বুলিম আপোন
পেলাম দুখৰ ওৰ,
সালসজনিৰ ঠাই যে সংসাৰ
সপিম সোপাকে মোৰ।
সংসাৰ হাটত মোকে বেচি কিনি
কৰিম দক্ষিণা দান,
দৰিদ্ৰ নাৰায়ণৰ সেৱাতে লাগিম
ধৰিম সৎকাৰ মান।
দাম্ভিক থাকিব দম্ভকে আচৰি
দৰ্পীও থাকিব পৰি,
হাততে পাৰিব সামৰি থম
মোৰ সেৱা সুখফেৰি।
লোকালোক আজি মুখৰিত হব
হাঁহিব সুখৰ বেলি,
সেৱাৰ ধূপ-ধুনা উধাব পৰিব
নীলিমাৰে খেলিমেলি।
( দুখ ) সৃষ্টি বিৰচিলে সৃষ্টিৰ গৰাকী
ৰক্ষাৰ আমাত ভাৰ,
তালৈকে লাগে শ্ৰমৰ সাধনা
দুখৰ সম্বল সাৰ।
শ্ৰমৰ সাধন শ্ৰম হৰে আছে
সেয়েহে শোভন সুখ,

সমস্ত সুখক    একে থানে পায়
স্মৃষ্টি এফেৰি দুখ।
হৃদয়তে উদি    লয় পায় পুনু
দৰিদ্ৰৰ মনোৰথ,
উধাই কল্পনা    অসীম জগতে
ধৰিছে আকাশীপথ।
দুখে-সুখে সৃষ্টি    গঢ়িলে বিধতা
দুখেৰে সুখেৰে সানি,
দুখক মূৰত দি    সুখক বুকুত
ভৰালে টানি আনি।
বিচিত্ৰ সংসাৰ    পাতিলে মায়াবী
মৰুৰ মাজত পানী,
সদায় নতুন    জাগ্ৰত সপোন
কৰ্মৰ নিছিগা লানি।
সেৱাৰ কামক    ধৰম জানিবা
সত্যৰ নিমিত্তে জ্ঞান,
পৰোপকাৰীলৈ    সেৱা সৎকাৰ
দুৰ্জনলৈ অপমান।
সকলোৰে দোষ    উকটি প্ৰত্যেক
জগৎ পৱিত্ৰ কৰা,
নাৰদৰ দৰে    বীণ হাতে লৈ
মুখত হৰিনাম ধৰা।
নীলিম পুণ্যৰ    প্ৰভাই জিনিব
শ্যামল সংসাৰ যাত্ৰা,
সুখৰ জেউতি    বিয়পিব ধৰা
শতধা বাঢ়িব মাত্ৰা।
বিকট কলীয়া    এন্ধাৰৰ দৈত্য
পলাই যাবিব কাটি,

অন্যায় অসত্য অত্যাচাৰেও
ভয়তে এৰিব বাট।
বিশ্বৰ প্ৰাণত বীণৰ ঝঙ্কাৰ
মিলাম তাৰেই সুৰ,
লক্ষপ্ৰাণত একে সমলয় তান
ওঁঙ্কাৰ ধ্বনিৰে পূৰ।

## জোনাকী

ঘন আন্ধাৰৰ মাজে
জোনাকী সোণালী সাজে
    হাঁহি আজি ৰঙত উধাৰ !

ক'লা আকাশত তৰা
হাঁহিছে তলত ধৰা !
    অনন্তৰ আজি কিবা ভাৱ !

হাঁহি ধেমালিৰ কথা
নোহে ইটো,—বিশ্ব তথা।
    গহীন নভে গহীনাই কয়।

আকাশী জোনাকী কোটি
গ্ৰহ তৰা শূন্যে উটি
    কি প্ৰেমত ভোল হই ৰয় !

বিশ্বৰ আলোকি চকু
কাঢ়ি জোনাকীৰ বুকু
    অনন্ত শিৰত "সত্য" ৰাজে !

ই-'সূৰ্য্য'ৰ মন্ত্ৰে মোহি
কোটি বেলি ঘূৰে আহি
    —জোনাকীৰ হিয়া-তন্ত্ৰী বাজে !

জোনাক লইছে ঋণ
বিলাইছে প্ৰেম ধন
    —পুৰালৈ সুজিব, পাব লয়।

এতিয়াই পাৰে মানে

জ্ঞান, শান্তি-সুখ দানে
        হ'ব মুক্ত নিজে গই ক্ষয় !
ছদণ্ডৰ ইটো খেলা
নকৰিবা হে'ৰা হেলা
        নামনিৰ অকণি জোনাকি !
প্ৰতি-নিমেষক লেখা
'কালে' সোঁৱা চাই দেখা
        লইছে হে তোমাৰো চিনাকি ।
আহি উটি এপৰলৈ
যাবা কাম কৰি ক'লৈ
        যি কৰিলা উভটি চাবানে ?
পাহৰাহাঁ দুখ সুখ
মৰীচিকা মোহ মুখ ;
        ঈশ্বৰ সহায় নাজানানে ?

## সাধনা

দিব্য কল্পতৰু ছাঁত
উছাহ অগনি ধৰি,
জগতৰ মঙ্গল সাধনা।
ৰাশি ভাৰ চন্দনৰ
কোটি 'হিয়া' ছাই হ'ব,
হোতা নিজে তাপস আতমা।
বেদ-মন্ত্রে স্বাহা বুলি,
হৃদয় ঢাকোন মেলি
ভক্তিঘৃত, স্নেহ ঢালা,
উঠুক জগত এৰি ধোঁৱা।
হোমৰ গোন্ধেৰে আজি
মলমলাই যাব বিশ্ব।
তৃপিতি লভিব দেৱে, মোৰাঁ।
'বাসনা'-ইন্দ্রিয় অশ্ব
মেধত উছর্গ পৰি
শান্তিৰে বুৰাব জগজন।
কবি, গোৱাঁ স্তুতি গান,
পণ্ডিত, প্রচাৰাঁ জ্ঞান,
বেপাৰী ধৰাঁহি 'মান',
মহাযজ্ঞ কৰাঁ আয়োজন,
দিগ্বিজয়ী, দেৱতা সাধন।

## কিয় ভাই নিবিলাবা হিয়া ?

বুজিলোঁ নিৰাশ তুমি।
কিয় কৰা জুমাজুমি ?
এন্ধাৰ হৃদয় মেলি চোৱাঁ।

পূৰ্ণৰূপ মৰমৰ
শোভে সৌ অজৰ অমৰ!
অভিমান, সন্দেহ খেদোৱাঁ!

আত্মাৰে "আত্মাক"
চালে পাবা জগতক!
জগতৰ আটাই দুখীয়া

'ই' বোলে হেৰ' মোকে দে,
'সি'ও পাছে পাছে খেদে,
কিয় ভাই নিবিলাবা হিয়া ?

বুকুৰ "ছবিটি" মিলাই,
ভাটৌটিও উৰি হায়
গ'ল তব ঘৰ উৰুঙাই!

হঁহা ফুল দুটি সৰি
তবায়ো ভুমুকি মাৰি
লুকাল তোমাক কন্দুৱাই!

মেঘ ধুমুহাৰ কথা,
সংসাৰৰ দুখ বেথা
ভাবি তুমি শুকান-চিতীয়া।

নিৰঞ্জন সাৰাৎসাৰ
"প্ৰেমৰ" সাগৰে বুৰ
দি পাবা আটাইবোৰ,
কিয় ভাই নিবিলাবা হিয়া ?

## সংসাৰ

মায়াৰ মোহিনী মাত পৰিল কাণত
ৰূপৰ প্ৰতিমা মোৰ নাচিছে হিয়াত।
গা মোৰ শিয়ৰে পাই কাৰ পৰশন,
চুমাৰ সোৱাদে হৰে মুখৰ বচন।
নিশাহত আহে উৰি কিনো ফুল ৰেণু—
গোন্ধেৰে ভৰিল মোৰ প্ৰতি সুখ-অণু!
—মাতিলে নো কোনে মোক ইফালে সাদৰি
অ! মোৰ ৰূপচুলিপিন্ধা ককাই ডুখৰি!
কোৱাঁ মোক কোৱাঁ হয় এয়ে নে সংসাৰ,
সংসাৰৰ সুখ মই পালোঁ নে ইবাৰ?
শুনা হে ভাইটি মোৰ ‘ধৰ্ম’ নাৱ বাহি
সংসাৰ নইত যোৱা লাহে লাহে ভাহি।
বেপাৰত ‘অৰ্থ’ সাঁচা ত্বদিনীয়া জানা,
তেহে যোগ্য ‘কামনাৰ’ লভিবাঁহা মোনা।
বহল নৈয়েদি পাছে ‘মোক্ষৰ’ সাগৰ
জুৰি আছে দেখিবাঁহা জগত সংসাৰ।
লগে যাব মায়া কিন্তু নোৱাৰিব আৰু!
এতিয়াই যি ধেমালি! কৰি লোৱাঁ বাৰু॥”

# মৌমাখি

১

ই ফুলৰ পৰা সি ফুললৈ উৰি,
গুণ্ গুণ্ গুণ্ সুৰে নাম ধৰি,
মাতিছা ইটিক, চাইছা সিটিক,
প্ৰেমৰ আলাপে মুহিছা মন,
পাইছা অমৃত প্ৰাণৰ ধন ॥

২

'যাওঁ, 'যাওঁ' কৰি আহিছা তুমি।
আকৌ উভতি আহাগৈ চুমি।
এখন্তেক ৰোৱা, পিছ ফালে চোৱাঁ,
কি হব নো হে'ৰা ফুলটিৰ গাত।
হব পোৱা এনে নিৰ্দয় অতি?

৩

সদাই সম্বন্ধ বিচ্ছেদ কিবা,
প্ৰাণেৰে প্ৰাণৰ বান্ধোন যিবা।
যোৱাঁ যোৱাঁ যোৱা আহিবা, আহিবা,
মৰমৰ কথা মিলনৰ ৰেখা,
মহয় খন্তেকীয়া দুদিন থকা।

## অজেয়

হে নিয়তি তই যদিও দুখৰ
পিহনি শিলত থই
ভাঙিলি মোৰ জীৱন-শস্য
চূৰ্ণ-বিচূৰ্ণ কই,
বাৰু, চাবি মোৰ চকুলোৰে তাকে
সানি-পুটকি লই
বান্ধিম আশাৰ পিঠা-পনা লাৰু
ভুঞ্জি নিচুকিব অই
সহস্ৰ হৃদয়—যালৈ নেমেলে
পথাৰৰ শস্যয়ো থোক
তিতিকি কেতুৰী বন খাৰধিও
মিলক বা নিমিলক।

হে নিয়তি তই,
যদিও দুখৰ অগনি কুণ্ডত
ফুটন্ত জীৱন মোৰ
ভছম কৰিলি ধূলি উৰুৱালি
গছকি পেলালি ওৰ,

চা হেৰ' চা—
চাওঁতে চাওঁতে উপচি পৰিল
ফুলে-পাতে (মোৰ) কুঞ্জলতা

স্নিগ্ধ প্ৰেমৰ জীৱন-দায়িনী
শাখা-প্ৰশাখা যুতা
সহস্ৰ হৃদয় জিৰাব ইয়াতে
ফুলিব মৰুৰ মাজে
য'ত নাছিল একোৱেই কঠুৱা কালৰ
কাঁইট কলিত বাজে !

# অজেয়


হে নিঠুর ভাই যদিও সুন্দর
নিঃশব্দ নিষ্ঠুর ~~[illegible]~~ যাই
তথাপি মোর চিত্ত মম
দুর্দম দুর্জয়,
যদি তোরি মোর জননীর অঙ্গ
আমি রুধি নাই
কাঁদিয়া আমার নিজ মর্মব্যথা
— দুঃখ নিষ্ঠুর এই
সহিয়া যাই — যদি তোমার
প্রাণ আমার মেঘ,

তিমিরে তার মাঝারিতে
নিশিদিন নিশিদিন।

চিত্তে প্রশান্ত — সন্তাপ সাথে
নিঃশব্দ নিঃশব্দ।
সারা রাত্রি আমার প্রাণ
~~[illegible]~~

এই মুক্ত প্রাণ সঁপে,
প্রাণ — প্রাণে কি দুঃখ তিমিরে
সে সাধনার বাঁধন!

হে নিঠুর ভাই,
যদিও দুঃখ আমার অন্তর
দুর্জয় তীব্র দিয়া
তবুও জীবনে চাই ও বুঝে
সহজে চোখের জল,
সে হেথা —
তোমার তোমার তুমি তার...
~~[illegible]~~


শ্ৰীচন্দ্ৰকুমাৰ আগৰৱালা

# সমাপ্ত

Published in:

http://blogasom.blogspot.com

For more eBooks like this and other updates keep on visting Blog Asom.